



Scanned with OKEN Scanner





১. প্ৰবন্ধৰ চানেকি — ১ – ৪

2. গল্পৰ চয়নিকা — ৫ – 2৫

৩. কবিতাৰ কানন — 2৬ – ৫০


৪. মহৎ লোকৰ বাণী — ৫১ – ৫2

৫. কৌতুক — ৫৩ - ৫৪

৬. আঁখৰ — ৫৫

# উৎসৰ্গা

প্ৰতি অপ্ৰাপ্তিত শূন্যতা নাথাকে। যি সকলৰ ত্যাগ, কষ্টৰ বহু দিন-ৰাতিৰ অন্তত আপোন ঠাইৰ ভাগ্যৰ তুলাচালনিত জিলিকিল ১৯৬৪ চনৰ শিৱসাগৰ ছোৱালী কলেজৰ প্ৰজ্ঞাৰ দেৱালে। সেইসকল জ্ঞান পিপাসু ব্যক্তিৰ ওচৰত আমি চিৰস্মৰণীয়। শ্ৰদ্ধাৰ প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষাগুৰু সকলৰ সান্নিধ্যত অসমীয়া বিভাগৰ হাতে লিখা আলোচনী 'শিপা'ৰ... প্ৰতিটো পৃষ্ঠা শ্ৰদ্ধাৰে উৎসৰ্গিত কৰা হ'ল।





শিৱসাগৰ ছোৱালী কলেজ
SIBSAGAR GIRLS' COLLEGE
Sivasagar, Assam-785640
Estd. 1964

Dr. Rita Borkotoky, M.Sc., B.Ed., PhD.
Principal In-charge

Ref No.GC/ Date :

আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰীসকলে বিগত বছৰবোৰৰ দৰে এই বছৰো হাতে লিখা আলোচনী শিপা প্ৰকাশ কৰিবলৈ লৈছে বুলি জানি নথৈ আনন্দিত হৈছো। ই সঁচা অৰ্থত এক ইতিবাচক খবৰ। ছাত্ৰী সকলৈ এই শুভ কৰ্মৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে অসমীয়া বিভাগৰ এই প্ৰচেষ্টা দীৰ্ঘম্যাদি হোৱাৰ কামনা কৰিলো।

(ড° ঋতা বৰকটকী)
ভাৰপ্ৰাপ্ত অধ্যক্ষা
শিৱসাগৰ ছোৱালী কলেজ।
শিৱসাগৰ (অসম)।

Phone : 03772232778/8472912466 :: e-mail : principalsgc@yahoo.co.in :: Website : sibsagargirlscollege.org.in

Scanned with OKEN Scanner

# সম্পাদকীয় মেজৰ পৰা

জাপি মোৰ হৃদয়ত শব্দই আলোড়ন
তোলে কিছু অপ্ৰাপ্তিৰ হাবিয়াসত ।
কিছু শব্দই বিশ্বাসৰ আকৌ সিঁচিব পাৰে,
নতুনকৈ সপোন দেখিবলৈ শিকাব পাৰে
সৃষ্টি হয় এখন নতুন পৃথিৱীৰ ।
সাহিত্য হ'ল পৃথিৱীৰ পাঠক- পঢ়ুৱৈৰ সমীৰে
জীপাল কৰা এটি উমাল ঠিকনা ... ।

সাহিত্য হ'ল শিল্প কলাৰ অন্যতম ৰূপ ; যি সহজতে প্ৰসাৰিত হয় হৃদয়ৰ পৰা হৃদয়লৈ .... । সাহিত্য হ'ল বস্তুসময়ত লেখকৰ অভিজ্ঞতাৰ অন্য ৰূপ । চিত্তবৃত্তিৰ সহৃদয়তাৰ বশত ৰসোপলব্ধিৰ ঐক্যৰ অনুভৱ কৰা হয় কাৰণ সাহিত্যৰ জগত হ'ল ভাৱৰ জগত , ৰসৰ জগত আৰু কিছুপাৰিমাণে ই অলৌকিক । গতিকে ই পাৰিমিত বোধৰ দ্বাৰা পাৰিচ্ছন্ন নহয় । সাহিত্যিকৰ অনুভূতি উপলব্ধিৰ লগত সহৃদয় পাঠকে নিজ অনুভূতি উপলব্ধিৰ অভেদত্ব অনুভৱ কৰে । সাহিত্যিকৰ উপলব্ধি জীৱনবোধ পাঠকৰ জীৱনৰ নিগূঢ়তম গভীৰতাত বিলীন হৈ একহৈ যায় ।

আধুনিক অসমীয়া সাহিত্যৰ বিকাশত আলোচনীৰ ভূমিকা অপৰিসীম। আধুনিক অসমীয়া ভাষা আৰু সাহিত্যও প্ৰথমে অসমীয়া আলোচনী অৰুণোদয়ৰ পাতত্তে গঢ় লৈ উঠিছিল। তাৰ পিছত্তে জোনাকী, বিজুলী, বাঁহী, আৱাহন আলোচনীৰ লগত্তে পৰৱৰ্তীকালৰ পৰা বৰ্তমানলৈকে ভালেমান আলোচনীয়ে জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। আলোচনী এখনৰ সাৱলীল ভাষাই পাঠকৰ হৃদয় স্পৰ্শ কৰিব পাৰে। এই আলোচনীসমূহে আধুনিক অসমীয়া ভাষা সাহিত্যৰ প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈকে ভাষা সাহিত্য সাংস্কৃতিৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়।

আমাৰ সমাজত ছপা আলোচনীৰ গুৰুত্ব যিদৰে বৃদ্ধি পাবলৈ ধৰিছে, ঠিক তেনেদৰে হাতে লিখা আলোচনীৰ গুৰুত্বও নুই কৰিব নোৱাৰি। প্ৰায় এটা দশকৰ আগলৈকে হাতে লিখা আলোচনীসমূহহে বেছিকৈ প্ৰকাশিত হৈছিল। বৰ্তমান হাতে লিখা আলোচনীৰ পৰিৱৰ্তে ছপা আলোচনীৰ গুৰুত্ব বৃদ্ধি পাবলৈ ধৰিছে যদিও অসমৰ বিভিন্ন প্ৰান্তৰ লগতে বিশেষকৈ কিছুমান শিক্ষানুষ্ঠানত এতিয়াও এই হাতে লিখা আলোচনীৰ পৰম্পৰা বৰ্তি আছে। শিক্ষানুষ্ঠান এখনত হাতে লিখা এই আলোচনীয়ে ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীলতা বিকাশত বিশেষভাৱে সহায় কৰে। সেই উদ্দেশ্যে কেইগৰাকীমান মহান ব্যক্তিৰ প্ৰচেষ্টাত শিৱসাগৰ ছোৱালী কলেজৰ অসমীয়া বিভাগত প্ৰতিবছৰে আত্মপ্ৰকাশ কৰে 'শিপা'ৰ তৰঙ্গ

পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

'শিপা' আলোচনীৰ দ্বাৰা শিক্ষাৰ্থীসকলে নিজৰ সৃষ্টিক ৰূপলিবলৈ সক্ষম হৈছে। 'শিপা'ক জীৱন দিয়াৰ সময়ত যি অভিজ্ঞতাই শিক্ষাৰ্থীসকলক স্পৰ্শ কৰিলে সেই অভিজ্ঞতাই তেওঁলোকক অনাগত দিনতো আগুৱাই যোৱাত বিশেষভাৱে সহায় কৰিব।

'শিপা'ক বাস্তৱ ৰূপ দিয়াত সহায় কৰা বিভাগৰ... সকলোলৈকে আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

— চিনু চেতিয়া।



# শিপাৰ আঁৰত

উপদেষ্টা :- অসমীয়া বিভাগৰ সমূহ শিক্ষাগুৰু

সম্পাদনা :- টিংকু চেতিয়া

সহ: সম্পাদনা :- লিপি গগৈ

বেটুপাত :- আফচানা আহমেদ

অলংকৰণ :- আফচানা আহমেদ, লিপি গগৈ ।

অনুলিখন :- বৰ্ণালী গগৈ, কন্যা কুমাৰী চেতিয়া, বিজ্ঞিকা শইকীয়া, প্ৰিন্সী নাম, দিম্পী লাহন, প্ৰিয়া কোঁৱৰ, বিদিশা চেতিয়া, ৰিমলী দিহিঙীয়া, প্ৰিন্সী দাস, তৃষা চেতিয়া, বিদিশা গোহাঁই ফুকন, শিখামণি চাহু, বাবলি বেগম, টুম্পা ভড়া, ইস্মিতা মামন গগৈ, অবিদিতা দাস, পৃত্যা গগৈ, পৰী বৰগোহাঁই, দ্বীপশিখা বড়া, মাচী বেগম, পিংকী অনিকৈ, ইয়াচমিন বেগম, পূজা অনিকৈ, দিম্পী গগৈ, লিপি গগৈ, পৰিনীতা চাৰুকীয়া, সুকন্যা বড়া, পপী গগৈ ।


সদস্যা :- চিনু চেতিয়া, লিপি গগৈ, আফতাব আহমেদ, আতিকা বেগম, বৰ্ণালী গগৈ, বিদিশা চেতিয়া, জিন্সী নাথ, চিৰলী দিহিঙীয়া, চিন্তামণি দাস, প্ৰণিতা নেওগ, কনয়া কুমাৰী চেতিয়া।

কৃতজ্ঞতা :- যিসকলৰ মহান প্ৰচেষ্টাত প্ৰকল্পটি ঠন ধৰি উঠিল তেওঁলোক সকলোলৈকে....

# প্ৰবন্ধৰ চানেকি

শব্দবোৰত নিহিত অবুজ অপ্ৰকাশিত
মনৰ কথাবোৰত ওপজে এনে একোখন জীয়া
ছবি। য'ত থাকিব জীয়াই থকাৰ প্ৰেৰণা,
উৎসাহ দুগুণে বাঢ়িব, হয়তো বাক্তিত লিপিৰ
এই আখৰাত সমাজে দেখিব নজীৱনৰ
সপোন ....।

# এৰাল ছিঙা সময় উপঙা জীৱন....



সম্প্ৰতি অন্যায়, অপৰাধে ছানি ধৰিছে সমগ্ৰ বিশ্ব অন্যায়, অধৰ্ম, অত্যাচাৰ, অনাচাৰ, ব্যভিচাৰ, অপহৰণ, ধৰ্ষণ, হত্যা, চুৰি-ডকাইতি, নাৰী-পুৰুষ নিৰ্যাতন, দুৰ্নীতি, ভ্ৰষ্টাচাৰ, ঠগ-প্ৰৱঞ্চনা আদি অসামাজিক পাপ কাৰ্য যেন এতিয়া নিত্য নৈমিত্তিক ঘটনাত পৰিণত হৈছে। আনৰ সমালোচনাত পাকৈত আমিবোৰ আমাৰ বিশৃংখল সমাজখনৰ এই দুৰৱস্থা দেখিও হাত উজান দি বহি আছোঁ।

মানৰ সমাজত বেছিকৈ দেখা দিয়া উশৃংখলতা সমূহৰ ভিতৰত বৰ্তমান আমাৰ চকুত প্ৰায় পৰিলক্ষিত হোৱা এক জ্বলন্ত সমস্যা হৈছে নিৰ্যাতন। এই নিৰ্যাতন কেৱল নাৰীৰ মাজতেই সীমাবদ্ধ হৈ থকা নাই। নাৰী-পুৰুষ উভয়ৰে লগত এই নিৰ্যাতন সংঘটিত হোৱা দেখা যায়।

নাৰী সৃষ্টি আৰু প্ৰেৰণাৰ চিৰন্তন প্ৰতীক প্ৰকৃতিৰ এক অনুপম সৃষ্টি নাৰী, যাৰ অবিহনে এই পৃথিৱীৰ কোনো অস্তিত্বই নাই।

কিন্তু বৰ্তমান সময়ত নাৰী সকলৰ কল্যাণৰ বাবে এচাম লোক যিমান সচেতন হৈছে তাৰ বিপৰীতে আকৌ এচামে প্ৰত্যক্ষ বা প[illegible]ৰী নি[illegible]ক্ৰিয় ভূমিকা লয়। নাৰী নিৰ্যাতন বুলি ক'লে শাৰীৰিক আৰু মানসিক উভয় কথাকে বুজা যায়। যৌতুক জনিত কাৰণত বোৱাৰীক শাৰীৰিক মানসিক অত্যাচাৰ, কেতিয়াবা জীৱন্তে কেৰাচিন ঢালি জ্বলাই দিয়া দেখা যায়। নাবালিকাক বলাৎকাৰ, বল কৰা কিশোৰীক বলপূৰ্বক ধৰ্ষণ কৰি




হত্যা কৰা । আনকি কৰ্মক্ষেত্ৰতো এগৰাকী নাৰী সুৰক্ষিত নহয় । এই ঘটনাবোৰ এক সাধাৰণ ঘটনালৈ পৰ্যবাসিত হোৱা দেখা যায় । মানুহৰ মাজত থাকিব লগা নৈতিক আদৰ্শৰ অপমৃত্যু ঘটিল । সেই সিদিনা আমাৰ মানসপটত এতিয়াও ভাহি থকা বৈমাতিৰ জীয়ৰী নন্দিতাৰ লগত প্ৰেম শব্দটো নসাৎ কৰি তেওঁৰ প্ৰেমিকে অতি অমানবীয়ভাৱে নন্দিতাক হত্যা কৰিলে এনে প্ৰেক্ষাপটত আমি নাৰী সুৰক্ষিত হয়নে ?

অকল নাৰীতেই সীমাবদ্ধ নহয় নিৰ্যাতন, ই পুৰুষ সমাজতো প্ৰভাৱ পেলাইছে । কাৰ্বি আং লঙৰ সৌন্দৰ্য উপভোগ কৰিবলৈ গৈ নিমিষতে প্ৰাণ হেৰুৱাইছিল দুজন যুৱকে । এই ঘটনাৰ সোঁৱৰণ কৰি থাকোঁতেই সেই সিদিনা মানসপটত ভাঁহি আহিলে এক হত্যা । যোৰহাটৰ নৃশংস হত্যাকাণ্ডৰ বলি হ'ল অনিমেষ । বেদনাদায়ক আৰু মৰ্মান্তিক এই ঘটনাত নিৰাপত্তাক চিন্তা কৰিব লগা হৈছে । কি হৈছে আমাৰ অসম ৰাজ্যৰ ।

— বিদিশা চেতিয়া
পঞ্চম ষান্মাসিক ।

# জীৱনৰ এগৰাকী প্ৰকৃত সংগী হৈছে 'মা'

'মা' মোৰ ভগৱানৰ নিচিনা। পৃথিৱীৰ সকলো মনোৰম শব্দৰ ভিতৰত 'মা' শব্দটো অন্যতম। 'মা' হৈছে জন্মদাত্ৰী জীৱনৰ প্ৰকৃত সংগী, যাৰ মূল্য আমি জীৱনত পৰিশোধ কৰাটো সম্ভৱপৰ নহয়। এগৰাকী মা যে বহুত আশা বুকুত বান্ধি এটি সন্তান জন্ম দিয়ে। পৃথিৱীৰ সকলো বস্তুৰ লগত চিনাকী কৰাই দিয়ে সকলোৰে দুখ-সুখত, সহযোগী হ'ব শিকায়, ডাঙৰক সন্মান শ্ৰদ্ধা আৰু সৰুক মৰম, স্নেহ, সৎ কৰ্ম আৰু সৎ চিন্তাৰে জীৱনটো আনন্দৰে উপভোগ কৰিবলৈ উৎসাহ দিয়ে 'এক মাতৃত্বৰ মৰমেৰে'।



মা শব্দটো সঁচাকৈ অতুলনীয়। মা বুলিলে এটি শব্দ যি হৃদয়ত এক কোমল সহানুভূতিৰ সৃষ্টি কৰে। 'মা' হৈছে এটি শিশুৰ প্ৰথম গুৰু। সকলোৱে এগৰাকী মাতৃক বুজিব নোৱাৰে, অনুভৱ কৰিব নোৱাৰে। কিন্তু যেতিয়া এগৰাকী মাতৃয়ে পৃথিৱীৰ সকলো আপোন মানুহ আৰু সকলো বস্তুৰ পৰা বিদায় লয় তেতিয়াহে, সকলোৱে উপলব্ধি কৰিব পাৰে যে 'মা' কিমান মূল্যবান আছিল।

এগৰাকী 'মা' অবিহনে আমাৰ জীৱনৰ উজ্জ্বল ভৱিষ্যত কোনেও নিৰ্ণয় কৰিব নোৱাৰে। 'মা' সকল সঁচাকৈ মহান। 'মা' জীৱনৰ এগৰাকী প্ৰকৃত সংগী, এগৰাকী বান্ধৱী। এখোজ-দুখোজকৈ আগবাঢ়ি যোৱা এই জীৱনটোৰ প্ৰতি খোজৰ সাৰথী 'মা'।

'মা' হৈছে সেইগৰাকী ব্যক্তি, যাক শব্দত বৰ্ণনা কৰিব নোৱাৰি। 'মা' মোৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ব্যক্তি। 'মা' মোৰ সকলো। যাৰ কাৰণে মই এই পৃথিৱীখন ধুনীয়া দেখিছো। মোৰ জীৱনৰ ভাল, বেয়া সকলো সময়তে, মই সদায় মোৰ মাক কাষত পাওঁ। এই সময়খিনিত তেওঁ মোক সাহস দিয়ে আৰু সমৰ্থন কৰে।

জীৱনটো অতিবাহিত কৰিবলৈ এজন প্ৰকৃত বন্ধুৰ প্ৰয়োজন। 'মা' হৈছে আটাইতকৈ বিশ্বাসযোগ্য বন্ধু। জীৱনৰ কিছুমান কথা মন খুলি ক'বলৈ যাৰ বাহিৰে আন কোনো উপযোগী নহয়। জীৱনৰ

আধাবাটতে এৰি যোৱা বন্ধু বহুত আছে। কিন্তু মা এনে এগৰাকী বান্ধৱী যি আধাবাটতে এৰি নাযায়। 'মা'ক এগৰাকী ভাল বান্ধৱী বুলি ভাবি সকলো সমস্যাৰ কথা খুলি ক'লে 'মা'য়ে শুদ্ধ পথ দেখুৱাব আৰু যাৰ ফলত আমি জীৱনত উপকৃত হ'ব পাৰে। এগৰাকী 'মা' আনৰ বাবে ভাল হ'লেও বেয়া হ'লেও সন্তানৰ বাবে সকলো সময়তে ভাল। প্ৰকৃত বন্ধু হিচাপে আন বস্তুতকৈ মা উপযুক্ত।

যিগৰাকীয়ে বিনা স্বাৰ্থত, বুকুত আশা বান্ধি নিজ সন্তানক জন্ম দিয়ে, নিজ সন্তানক ডাঙৰ দীঘল কৰিলে, সেইজনী মাতৃকেই সকলোৱে আজি অৱজ্ঞা কৰি দিছে। মাসকলে সন্তানৰ পৰা একো নিবিচাৰে; বিচাৰে মাথো অলপ আদৰ, মৰম আৰু এষাৰী মিঠা মাত।


'মা' যিগৰাকীয়ে আমাৰ জন্ম দি এই দুনীয়া: জগতখনৰ লগত চিনাকী কৰাই দিলে, তেঁও সদায় সোনানৰ সমতুল্য, এক অমূল্য সম্পদ।

'মা' তুমি পূজনীয়
তুমি চেনেহৰ
'মা' তুমি অনন্যা

— মাৰ্চী বেগম
প্ৰথম ষাণ্মাষিক

# গল্পৰ চয়নিকা

বৈ থকালৈকে নদী, বৈ গ'লেই মৰাস্মৃতি
কথাবোৰো তেনেকুৱাই ....
এৰি অহা পথটোৰ হেঁপাহবোৰ, সময়বোৰ
একান্তই ব্যক্তিগত .... এই আবেলিবোৰতেই
হেৰুৱা অলেখ বাট বিচাৰি, সুখ-দুখৰ
কাল্পনিক ছবি তৃষ্ণাতুৰ মানুহে কৰিয়াই
আশাৰ অনুভৱে .... ।



Scanned with OKEN Scanner

# জীৱন দায়িনী নাৰী



— পিংকী অধিকাৰী

নাৰী সৃষ্টিৰ আধাৰ। মনস্তাত্ত্বিক সকলৰ মতে, নাৰী অনন্যতম বা অসাধাৰণ। নিজৰ জীৱনটো বিপদাপন্ন কৰিও নাৰীয়ে সৃষ্টি কৰে। পুৰুষ আৰু নাৰীৰ সংমিশ্ৰণৰ ফলশ্ৰুতিত এদিন এখন সমাজৰ সৃষ্টি হ'ল কিন্তু এই সৃষ্টিত, সমাজৰ বিকাশত নাৰীৰ অৱিহণাই অধিক। কিয়নো নাৰী হ'ল সৃষ্টি কৰ্মৰ বাহক আৰু জীৱন দায়িনী। নাৰী আৰু পুৰুষৰ মাজত থকা মধুৰ সম্পৰ্কৰ কাৰণে সমাজৰ সৃষ্টি হৈ আজিৰ এই সুন্দৰ পৃথিৱীখন চলমান গতিত আগবাঢ়ি গৈ আছে। সেয়েহে নাৰীক পুৰুষৰ অৰ্ধাংগিনী আৰু পুৰুষক নাৰীৰ পূৰ্ণতা বুলি কোৱা হয়। নাৰী হ'ল শক্তিৰ আধাৰ। নাৰীয়ে নিজৰ জীৱনটোক নিয়াৰিকৈ আগবঢ়াই নিবলৈ তেওঁলোকে শিকিছে আৰু আনকো শিকাবলৈ প্ৰয়াস কৰিছে। এটা হাঁহিৰ আঁৰত লুকাই থকা বহু অপ্ৰকাশিত আশাক লুকুৱাই ৰাখে এগৰাকী নাৰীয়ে। সাম্প্ৰতি সমগ্ৰ বিশ্বজুৰি বঞ্চিতা নাৰী সমাজ। সংবিধানে নাৰীৰ সুৰক্ষা আৰু অধিকাৰৰ বাবে বহুতো পদক্ষেপ লৈছে যদিও আজি সমাজৰ পৰা নাৰীৰ শোষণ কৰ্ম শেষ হোৱা নাই। নাৰীৰ আৱশ্যকীয় অধিকাৰ আৰু মৰ্যাদা পুৰুষে অনাহকতে নিয়ন্ত্ৰণত ৰাখিব বিচাৰে যাৰ ফলত বিশ্বত নাৰী জাগৰণ সৃষ্টি হৈছে। নাৰী সকলে নিজৰ প্ৰাপ্য আদায় কৰিবলৈ অধিক তৎপৰ হৈ উঠিলেহে তেওঁলোক নিষ্ঠুৰ নিৰ্যাতনৰ সন্মুখীন হ'ব লগা হৈছে।


কিছুদিনৰ পৰা নাৰী নিৰ্যাতনৰ ঘটনা ক্ৰমশঃ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। গাঁও-চহৰ, ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিত অঞ্চলভেদে সকলোতে নাৰীয়ে দৈহিক, মানসিক উভয় দিশৰ উৎপীড়ন সহ্য কৰি দিন কটাইছে। নাৰী নিৰ্যাতনৰ কাৰণ সন্দৰ্ভত অসংখ্য আলোচনা হৈছে। নাৰী নিৰ্যাতনৰ কাৰণ হ'ল – মহিলাৰ আৰ্থিক, পৰাধীনতা, শৈক্ষিক অনগ্ৰসৰতা, পুৰণি লোক বিশ্বাস আদিয়েই নাৰীৰ স্বতন্ত্ৰতাত আঘাত কৰিছে। নিৰ্যাতন শব্দটোৰ অৰ্থ স্পষ্ট যদিও প্ৰয়োগৰ ক্ষেত্ৰত বহুতো সীমাবদ্ধতা আছে। নাৰী এগৰাকীয়ে সন্তান জন্ম দিওঁতে হোৱা কষ্টখিনি নিৰ্যাতন বুলি ক'ব নোৱাৰি। কিন্তু যৌতুক প্ৰথাৰ বলি হৈ বহুতো নাৰীয়ে অঘাতপূৰ্ণ জীৱন অতিবাহিত কৰিছে। মহিলা সকলৰ আত্মহত্যাৰ বাবে স্বামী গৃহত মহিলা গৰাকীয়ে পোৱা নিৰ্যাতনৰ স্পষ্ট প্ৰভাৱ থাকে। বৰ্তমান সময়ত নাৰী ধৰ্ষণৰ অনেক ঘটনা ঘটিছে। সমাজৰ এচাম নীচ প্ৰকৃতিৰ ব্যক্তিও নাৰী ধৰ্ষণৰ ঘটনাৰ লগত জড়িত হৈ পৰিছে। এনে ঘটনা সমূহে বহুতো ধৰণে পুতি ৰাখিব বিচাৰে। নাৰী কিমান অ-সুৰক্ষিত সেই কথা ৰাজ্যত নিতৌ ঘটিব ধৰা নাৰী নিৰ্যাতনৰ ঘটনাই স্পষ্ট ৰূপত দাঙি ধৰিছে।

# মই সৰাপাতে .... সুৰৰ মূৰ্চ্ছনা অনন্ত বসন্তৰ শিৱসাগৰ ছোৱালী কলেজ

স্মৃতি আৰু সোঁৱৰণী সতে আজি মোৰ সান্নিধ্য,!

এই কবিতাৰ পংক্তিৰে মোৰ জীৱনময় পৃষ্ঠাত আবেগিক হ'লেওকে যাঁও এনেদৰে শিৱসাগৰ ছোৱালী কলেজ, মোৰ স্বপ্ন কাৰেঙৰ অনুভূতিৰ পৰিক্ৰমা। স্ৰোতস্বিনীৰ তৰঙ্গত ধ্বনিত হয় আত্মাৰ অনিন্দ্য সুন্দৰ ৰূপৰ কলতান, ভাবো অন্তৰঙ্গতা আছে মোৰ সতে নৈ সৰ্গৰ। মেঘে পান কৰোঁ মন্দাকিনীৰ অমৃত সুধা। জীৱনৰ ওৰেটো বাট আকিছোঁ আল্পনা উপলব্ধিৰ জেয়া যে বৰ্ষাসিক্ত ৰঙীন গধূলিবোৰ আকুলতাৰে ভৰা স্বপ্নিল পথ। মোৰ আবেগিক সান্নিধ্য আজি মই আৱদ্ধ স্মৃতি আৰু সোঁৱৰণীৰ মাজত সেউজীয়াৰ বিশাল ময়দানত। নাজানো তুমি প্ৰাণৱন্তা নে? সৃষ্টিৰ পাতনিৰে পৰা কিমান অগনিত খোজৰ শব্দ পৰা হৈ গ'ল। পাৰ হৈ যায় নিৰন্তৰ মানৱ জীৱনৰ একা-বেকা গতি। হাজাৰ ফুলৰ মৌ-বিচৰা মৌ-মাখিৰ পৰিক্ৰমাৰে সংৰক্ষণ কৰোঁ মানৱতাৰ হাজাৰ অভিজ্ঞতাক শিৱসাগৰ ছোৱালী কলেজৰ বুকুত।

নিঃসঙ্গতাত সৃষ্টি হয় সুন্দৰৰ, ভাৱাত্মক পৃথিৱীৰ সীমা ভাঙি, কোমল নিৰ্জনতাত নৈঃশব্দৰে বতাহত উৰি আছে, সৌন্দৰ্যৰ ইতিহাস। থুনুকা দেশ মোৰ এন্ধাৰটো ৰঙীন। পাৰ হৈ যায় নিৰন্তৰ মানৱ-জীৱনৰ একা-বেকা গতি। শিৱসাগৰ ছোৱালী কলেজেও আদৰি লয় নৱ-যৌৱনক এইদৰে পাৰ হৈ যায় বহু বছৰ, খোজত ছন্দ মিলাই নৱ যৌৱনা হৈ ৰয় ৰাঙলী আকাশত উৰুৱাই সুৰভিৰ আবিৰ।




জঁহি আছে পৰিমল নীলিম আকাশ আৰু সেউজী বননিৰ স্নিগ্ধতাত হ'বহ'ব পাৰে অনিন্দ্য সুন্দৰ। লানি-নিছিগা গাড়ীৰ শব্দবোৰ ধূসৰিত হ'লেও ঐতিহ্য মণ্ডিত শিৱসাগৰৰ ব্যাকৰিত প্ৰমূৰ্ত ৰূপ সোণৰ কলচীৰ পাৰত শিৱসাগৰ ছোৱালী কলেজ। সেউজী দেশৰ নটিকৰ আশ্বৰা অনিশ্চিত ভৱিষ্যতৰ সদায়েই চলি থাকে। আমাৰ মন পখিলীৰ অন্তহীন যাত্ৰা.... এই আলোক মন্দিৰত, এই যে আমাৰ আশা আৰু যোৱা তোমাৰ বাবলে বহু জোনাক বহু অমানিশা পাৰ হ'লে শিৱসাগৰ ছোৱালী কলেজৰ বুকত...। আজন্ম প্ৰতীক্ষা কৰা উন্মনা বতাহ ছাটিত ধোৱাই নিয়ে চঞ্চল মনবোৰক। তৃষ্ণাতুৰ চকুত এবাৰলৈ চাবলৈ চেষ্টা কৰা উদাং বুকুৰ শব্দৰ কোলাহলবোৰ সৰম পিয়াসী চকু মৈ চোৱা তাইজনীহঁতৰ উদীপ্ত যৌৱনৰ লহৰ ৰোমাঞ্চিত হয়। শিৱসাগৰ ছোৱালী বাকৰিত আকৌ যেন ঘূৰাই পায় হেৰাই যোৱা হাজাৰ বসন্ত পুৱা আবেলি সদায় একে সময়তে একেই ব্যক্তিত্বৰ ময়দানত লগ পোৱা, অশীতিপৰ ব্যক্তিত্বইতো শেষ আবেলিৰ স্তিমিত সূৰ্যৰ ম্লান পোহৰৰ লগে লগে এই ময়দানত গোট খায়হি অসংখ্য চঞ্চলা উন্মনা সেউজীয়া পক্ষী। আঁচাই ইয়াৰ মাজতেইতো আছো অনিন্দ্য সুন্দৰ আত্মাৰ ভাষা আৰু অফুৰন্ত কৰ্মশক্তিৰ অনুপ্ৰেৰণা বাকী ৰাখিছোঁ মাত্ৰ বেটুপাত. শিৱসাগৰ ছোৱালী কলেজৰ হাতৰ তুলিকাৰ বাবে প্ৰকাশিকা হ'ব যুগে যুগে এই আলোক মন্দিৰ যাৰ বেটুপাতত অংকিত হ'ব নিৰলস সাধনাৰ পাণ্ডুলিপি আজি এইয়া এই মন্দিৰৰ স্মৃতিৰ হুলাচালনীত আৱিষ্কাৰ কৰিছো মখমলী পাতাৰ তীব্ৰ বাসনাৰ সেই মধুৰতাখিনি, মানৱৰ বিচিত্ৰময় ৰঙীন আশা আৰু জীৱনৰ প্ৰশ্নমালাবোৰৰ শাশ্বত উত্তৰণ। এয়া মুখামুখি হৈছো সপ্তাৰ নিৰিবিলি প্ৰান্তত অনুভৱ মোৰ জীৱনৰ চিৰজ্যোতিষ্মান বৌদ্ধিক প্ৰবাহলৈ কবিতাৰ এসন্ধ্যাত নীলিম আকাশত প্ৰেমৰ ধাৰিব ৰামধেনু সাতো ৰঙে... দিগন্ত ব্যাপী ঘনঘোৰ ভাৰৰৰ কালিমা আতৰাবলৈ। চঞ্চলা নিৰ্ঝৰিণীৰ গতিময়

ছন্দেৰে উত্তৰণ হওক বহু প্ৰত্যাৰ । এইখন বিদ্যা মন্দিৰতে চিৰজ্যোতিষ্মান প্ৰবাহলে আগুৱাই গ'ল JEC ৰ অৰ্ণৱ·আচ্ছা প্ৰসিদ্ধ লেখিকা ইন্দ্ৰাণী শৰ্মা, যচাং শিশু উপন্যাসৰ প্ৰতিষ্ঠাতা মাধুৰীমা ধৰফলীয়াকে ধৰি অন্যান্য বহু নাৰীৰ প্ৰথম উদ্ভৱা মানসিকতাৰ উপস্থিতিৰ আমন্ত্ৰণ এই আলোক দ্বীপতে ।


জ্ঞানৰ পীঠত সুবাসিত সেউজীয়া দেশৰ পৰীৰ বৌদ্ধিক সত্তাৰ পৰিচয় শিৱসাগৰ ছোৱালী কলেজ ।

— বাবলি বেগম

# টিলিঙা মন্দিৰলৈ বুলি



কন্যা কুমাৰী চেতিয়া
পঞ্চম ষান্মাসিক



সৰুৰে পৰা শুনি আহিছিলোঁ এই বিখ্যাত মন্দিৰৰ কথা। যোৱাৰ হেঁপাহ বাৰুকৈয়ে আছিল যদিও সময়ে সেই সুযোগ দিয়া নাছিল, কিন্তু লাহে লাহে এদিন সময়ে সেই সুযোগ দিলে, সেইদিনা আছিল ৮ আগষ্ট 2020, সোমবাৰ। যিহেতু ৮ আগষ্টত যাম, সেইয়েহে ৭ আগষ্ট অৰ্থাৎ দেওবাৰ দিনাৰে পৰা মনটো খুব আনন্দ লাগি আছিল। পিছদিনা পুৱাৰ ট্ৰেইন থকাৰ বাবে মই সোনকালে শুই গ'লো আৰু পিছদিনা পুৱা ৪ বজাতে শুৱাৰ পৰা উঠি নিজৰ কৰিব লগা কামখিনি সোনকালেই কৰি আজৰি হ'লো। মা ও মোৰ লগতে সোনকালেই উঠি আমাৰ সকলোৰে বাবে খাবলৈ বিভিন্ন বস্তু বনাই দিলে। যিহেতু মই আৰু মোৰ মাৰ বায়েকৰ পৰিয়াল অৰ্থাৎ মোৰ আপা আৰু তেওঁলোকৰ ঘৰৰ মানুহৰ লগত এই যাত্ৰা আৰম্ভ কৰিলোঁ। মনত বহুত হেঁপাহ লৈ মই আৰু মোৰ ভন্টি পুৱা ৬ বজাত ষ্টেচনলৈ বুলি ৰাওনা হ'লো, যিহেতু আমাৰ ট্ৰেইনখন ৭ বজাত পুৱাহি কথা আছিল। সঠিক সময়তে ট্ৰেইনখন পালেহি। সকলোৱে নিজৰ নিজৰ স্থানত বহিলে আৰু টিলিঙা মন্দিৰলৈ বুলি যাত্ৰা আৰম্ভ হ'ল।

লাহে লাহে এটা, দুটাকৈ ষ্টেচন পাৰহৈ শেষত আমাৰ গন্তব্য স্থান অৰ্থাৎ তিনিচুকীয়া জিলাৰ বৰডুবী ষ্টেচন

পালোঁগৈ। ষ্টেছনৰ পৰা নামি আহি আমি খোজেৰে আগবাঢ়িলোঁ। আৰু গৈ পালোঁ প্ৰকাণ্ড ডাঙৰ ডাঙৰ টিলিঙা তিনিটা দেখিলোঁ আৰু মন্দিৰটোৰ চাৰিও ফালে কেৱল টিলিঙা আৰু টিলিঙা, ভাল লাগিল পৰিৱেশটো। যান্ত্ৰিকৰ এই পৃথিৱীখনত সুকীয়াকৈ এই পৰিৱেশটোৰ মাজত অলপ সময় কটাই নিজকে সৌভাগ্য অনুভৱ কৰিলোঁ।

জানিব পৰা তথ্যৰে মতে এই মন্দিৰটো বোলে তিনিচুকীয়া নগৰৰ পৰা ২৫ কিলোমিটাৰ দূৰত্বত অৱস্থিত। এই মন্দিৰটো শিৱপূজাৰ পীঠ স্থান হৈ পৰিছে। হাজাৰ হাজাৰ কাঁহ, পিতল, তাম আৰু এলুমিনিয়ামৰ টিলিঙা বা ঘন্টা ওলোমাই ৰখা গছ এডালক কেন্দ্ৰ কৰি এই মন্দিৰটো গঢ়ি উঠিছে। এই মন্দিৰটো বৰবেছি পুৰণি নহয়। ১৯৬৫ চনতহে মন্দিৰটো প্ৰতিষ্ঠা কৰা হৈছিল। বহুলোকে কোৱাৰ মতে কোনো এটা দিনত এজন চাহ শ্ৰমিকে মাটিৰ পৰা ওলাই থকা শিৱলিংগ এটা প্ৰত্যক্ষ কৰে। বনুৱাজনে শিৱলিংগ ভাগ দেখা পোৱাৰ লগে লগে এই বিষয়ে চাহ বাগিচা কৰ্তৃপক্ষক অৱগত কৰিছিলে, সেয়েহে সকলোৱে এই স্থানত এটা মন্দিৰ স্থাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছিলে। এনেকৈয়ে টিলিঙা মন্দিৰ নিৰ্মাণ কৰা হৈছিল বুলি জনা যায়। আৰু লাহে লাহে এই মন্দিৰত এটা টিলিঙা বা ঘন্টা দান কৰি ভগৱানৰ ওপৰত বিশ্বাস ৰাখি যি কাম কৰে সকলোৱে তাৰ ভাল ফল পাবলৈ সক্ষম হয়। মন্দিৰৰ এই বৰগছজোপাত ভক্তই টিলিঙা একে উশাহতে বান্ধি আৰু লগতে গছৰ গুৰিত ৰঙা সূতা একে উশাহতে বান্ধিলে মনোবাঞ্ছাপূৰ্ণ হয় বুলি লোকবিশ্বাস সকলোৰে

সজ্জিত আছে। আৰু এই মনোবাঞ্চা সমূহ পূৰ্ণ হোৱাৰ পিছত বান্ধিলে অথবা সেই সূতা বা টিলিঙা সমূহ খোলোকাই দি আহিব লাগে। ৫০ গ্ৰাম ওজনৰ পৰা ৫০ কিলোগ্ৰাম ওজনৰ টিলিঙাৰ লগতে কাঁহ, পিতল, তাম আৰু অষ্টধাতুৰ টিলিঙাও দান দিয়া দেখিবলৈ পোৱা যায়।

সঁচাকৈ শুনি থকা এই মন্দিৰটো বিষয়ে আজি নিজ চকুৰে দেখি মনটো এক বুজাব নোৱাৰা আনন্দৰে ভৰি পৰিছে। লগতে ইয়াৰ চাৰিওফালৰ পৰিৱেশো অতি সুন্দৰ আৰু শান্ত। আমি সকলোৱে নিজৰ কৰিবলগীয়াখিনি কৰি মন্দিৰৰ পৰা ওলাই আহিলোঁ। মন্দিৰৰ বাহিৰত থকা দোকানৰ পৰা দুই এপদ বস্তু ক্ৰয় কৰিলোঁ। যিহেতু সকলোৱে ভাত পানী নোখোৱাকৈয়ে যাওনা হৈছিলোঁ সেয়েহে ভাবিলোঁ এখন হোটেলত সোমাই দুপৰীয়া আহাৰ গ্ৰহণ কৰোঁ বুলি। আহাৰ গ্ৰহণ কৰি আমি সকলোৱে অলপ ৰ'লো যিহেতু আমাৰ কৰিবলগীয়া সকলো কামখিনি সোনকালেই হোৱাৰ বাবে আৰু অলপ সময় উলিয়াই আমি ভালদৰে ফটো কেইকপিমান তুলিলো লগতে এখন গ্ৰুপ ফটো তুলিলো, যাতে মই এই সময়খোৰ এখন ফ্ৰেমত ভালদৰে আঁটি ৰাখিব পাৰোঁ।

এটা সময়ত অৰ্থাৎ ৪ মান বজাত ট্ৰেইন খন পালেহি যিহেতু সেইদিনা সোমবাৰ আছিল সেয়েহে মানুহৰ ভিৰো বহুত আছিল। যেনে তেনে ট্ৰেইনত উঠি নিজৰ স্থানত বহিবলৈ পালো। সঁচাকৈ ব্যস্ততাৰ এই পৃথিৱীখনৰ পৰা অলপ আতৰি নিজৰ

লগতে এটা দিন কটাই বহুত সুখ অনুভৱ কৰিলোঁ। ৰাতিপুৱা শুই উঠাৰ পৰা আৰম্ভ কৰি টিলিঙা মন্দিৰ পোৱালৈকে এই কথাখিনি মনতে ভাবি ভাবি কেতিয়ানো ট্ৰেইনখন আমগুৰি ষ্টেচন পালেহি গমেই নাপালো, ঠিক ঘড়ীটো চাওঁতেহে উমান পাইছোঁ ৭ মান বাজিলে। ট্ৰেইনৰ পৰা নামি সকলোকে মাত লগাই মই আৰু ভাইটি ঘৰলৈ বুলি গাড়ীত উঠিলো। এনেকৈয়ে মোৰ টিলিঙা মন্দিৰৰ যাত্ৰা ইমানতে অন্ত পৰিল।

সঁচাকৈয়ে এই দিনটো মোৰ বাবে সদায় এক স্মৰণীয় দিন হৈ ৰ'ব ।



# বন্ধুত্ব

— মিচ্ ইয়াচমিন বেগম
তৃতীয় ষাণ্মাসিক

সন্ধ্যা আৰু সুনীতি দুয়োজনী খুব ভাল বান্ধৱী, দুয়োজনী একেখন গাঁৱৰে। দুয়োজনীৰ বন্ধুত্বৰ কথা গাঁৱত নকবলগীয়া মানুহ নাই। সন্ধ্যা আৰু সুনীতি দুয়োজনী যোৰহাটৰ J.B. কলেজত একেলগে পঢ়িছিল। কলেজতো সিহঁত দুয়োজনীৰ বন্ধুত্বৰ কথা সকলোৱে কয়। দুয়োজনী এইবাৰ উচ্চ মাধ্যমিক পৰীক্ষাত ভালকৈয়ে উত্তীৰ্ণ হৈছিল। সন্ধ্যাই পাঁচখনত লেটাৰ মাৰ্ক লৈ আৰু সুনীতিয়ে চাৰিখনত লেটাৰ মাৰ্ক লৈ উত্তীৰ্ণ হৈছিল। ঘৰখনৰ লগতে গাঁৱৰ সকলোৱে সিহঁতৰ ফলাফলক লৈ গৌৰৱবোধ কৰিছিল। সুনীতিৰ মাক দেউতাকৰ চৰকাৰী চাকৰিৰ বাবে যোৰহাটৰ পৰা গুৱাহাটীলৈ যাব লগাত সুনীতিক গাঁৱতে এজন আত্মীয়কৰ ওচৰতে থৈ গৈছিল। সুনীতিৰ মাক-দেউতাকৰ চৰকাৰী চাকৰি আছিল বাবে তাই একো বস্তুৰেই অভাৱ অনুভৱ কৰিব লগা হোৱা নাছিল। কিন্তু সন্ধ্যাৰ ঘৰৰ অৱস্থা বৰ ভাল নাছিল। দেউতাকে দিন হাজিৰা কৰি যিকেইটা টকা পায় সেই টকাৰেই কোনোমতে ঘৰটো চলে। সন্ধ্যাই অভাৱৰ মাজেৰেই দিন পাৰ কৰিছিল। ঘৰৰ অভাৱ দেখি তাই ঘৰৰ ওচৰৰে সৰু ল'ৰা-ছোৱালী কেইটামানক টিউচন কৰি মাহত ১৫০০ মান টকা পাইছিল। তাৰে তাই ঘৰখন চলোৱাত অলপ সহায় কৰাৰ লগতে সেই পইচা গোটাই তাই কলেজত

অতমিচনো লৈছিল। সন্ধ্যাৰ মাক তাই সৰু হৈ থাকোঁতেই ঢুকাইছিল। এতিয়া সন্ধ্যাৰ ঘৰত সন্ধ্যা, সন্ধ্যাৰ ককায়েক, দেউতাক আৰু আইতাক থাকে। কিছুদিন তেনেকৈয়ে পাৰ হৈছিল। দুয়োজনীয়ে পাহৰিব নাছিল। দুয়োজনীয়ে হাঁহি বৰ ভাল পাইছিল। এসপ্তাহৰ পাছতে সিহঁতৰ দুয়োজনীৰ কলেজত প্ৰথমটো পৰীক্ষা। প্ৰথম পৰীক্ষাৰ বাবে দুয়োজনীৰ লগতে ক্লাচৰ সকলোৰে ভয় লাগিছে। পৰীক্ষাত পেপাৰখন বা কেনেকুৱা আহে। চাওঁতে চাওঁতে পৰীক্ষাবোৰো শেষ হ'ল। পৰীক্ষাবোৰ বৰ এটা বেয়া হোৱা নাছিল সিহঁতৰ। তেনেকৈয়ে দিনৰ পাছত দিন পাৰ হৈ গৈ আছিল। কিন্তু সিহঁতৰ মাজৰ মৰম চেনেহবোৰ কিন্তু কেতিয়াও কমি যোৱা নাছিল; আনকি বাঢ়িহে গৈ আছিল। কিন্তু এদিন হঠাৎ যেন চকুৰ আগতে সকলো শেষ হৈ গ'ল। এজাক বতাহে যেন সকলোবোৰ উৰুৱাই লৈ গ'ল। শনিবাৰ আছিল সেইদিনা, সন্ধ্যা আৰু সুনীতি দুয়োজনী কলেজৰ পৰা বাহিৰে বাহিৰে বজাৰ কৰিবলৈ বুলি যোৰহাটৰ টাউনলৈ গৈছিল। কিন্তু সন্ধ্যাৰ যেন যোৱাৰ একেবাৰে ইচ্ছা নাছিল। সুনীতিয়ে বেছি জোৰ কৰা বাবে তাই সুনীতিক না কৰিব নোৱাৰিলে। সুনীতিয়ে বজাৰ কৰাত ব্যস্ত হৈ পৰিল। সিফালে সন্ধ্যাই বেগ কিনিবলৈ বুলি ৰাস্তাটোৰ সিপাৰে পাৰ হ'বলৈ লওঁতেই সিফালৰ পৰা জোৰেৰে আহি থকা ট্ৰাকখনে তাইক খুন্দা মাৰিলে। খুন্দা মৰাৰ লগে লগে তাইৰ গোটেই গাটো তেজেৰে ৰঙা হৈ পৰিল। অলপ পাছতে মানুহে তাইক ঘেৰি ধৰিছিল। কোনো এজনে এম্বুলেন্স মাতিছিল। তেতিয়ালৈকে সুনীতিয়ে গমেই পোৱা নাছিল। বস্তু লৈ তাই সন্ধ্যাক বিচাৰিছিল কিন্তু

সুনীতিয়ে তাইক দেখা নাপাই ৰাস্তা ফালে আহোঁতে বহুত ভিৰ দেখিছিল । তাতে কেইজনমান মানুহে কৈ থকা শুনিছিল "তাই - বচা কোনো আশা নাই ।" আন এজনে কৈছিল - "হস্পিতাললৈ নিলেও লাভ নাই আৰু ।" লৰালৰিকৈ তাই সেই ভিৰ ভাগি আগলৈ গৈ দেখিলে সন্ধ্যাৰ সেই অৱস্থা । সন্ধ্যাৰ সেই অৱস্থা দেখি সুনীতিয়ে অলপ সময় স্থিৰ হৈ চাই এটা অকাত চিঞৰ মাৰিছিল ।

"সন্ধ্যা ... সন্ধ্যা তোৰ কি হ'ল এয়া ...."

তাই চিঞৰি ক'লে । তেনেতে এম্বোলেন্স আহি পাইছিল । তাই ল'ৰা-লৰিকৈ এম্বোলেন্সত সন্ধ্যাক লৈ গৈছিল । কিন্তু হস্পিতাল গৈ পোৱাৰ আগতেই সন্ধ্যা ঢুকাল । সুনীতিয়ে সন্ধ্যাৰ মূৰটো তাইৰ নিজৰ কোলাত দাঙি ধৰি জোৰকৈ চিঞৰি কান্দিছিল । খবৰটো সন্ধ্যাৰ ঘৰখনে পাওঁতে ঘৰৰ লগতে গাঁৱৰ মানুহবোৰো শোকত ভাগি পৰিছিল । সকলোবোৰ যেন অন্ধকাৰ হৈ পৰিছিল । সুনীতিৰ যেন এনে লাগিছিল যে তাই যদি আজি সন্ধ্যাক জোৰ নকৰিলেহেঁতেন হয়তো আজি সন্ধ্যা লগতে থাকিলে হয় । সদায় হাঁহি ভাল পোৱা ছোৱালীজনীয়ে হাঁহিবলৈ পাহৰি গ'ল ।



# প্ৰভাতী সুৰুয

কুঁৱলীৰ ঘন আন্ধাৰে ঘেৰি থকাৰ সময়ত এটি পৰিয়ালৰ কৰুণ কান্দোন ভাহি আহিছে। ডিচেম্বৰ মাহ ঠাণ্ডা পৰাটো স্বাভাৱিক। সূৰ্যোদয় হ'বলৈ এতিয়াও বহু সময় আছে। চৰাই-চিৰিকটিয়ে পৰিবেশটো জীপাল কৰি তুলিছে। কিন্তু প্ৰকৃতিৰ এই মনোমোহা ৰূপৰ সুধা পান কৰিবলৈ আজি বিয়াঁহতৰ গাঁওখন অপাৰগ। সমগ্ৰ বিশ্বতে ভয়াবহ ৰূপ ধাৰণ কৰা ক'ভিডে বিমাহঁতৰ গাঁওখনো এৰি নিদিলে। আজি বিমাহঁতৰ গাঁও প্ৰতিঘৰে এক আতংকময় পৰিবেশত দিন নিয়াব লাগিছে।

নিশাবোৰ প্ৰায় দুৰ্যোগীয়া যেন লাগে বীমাৰ বাবে, কিয়নো অকলশৰে মোকাবিলা কৰিছে। কোনো নাই তাইৰ জীৱন যাত্ৰাত, তাই জীৱনৰ অমাৱস্যা নামি আহিছিল চকুলো হৈ থকা ন-মাহকৈ দুচকুত কাহানিও কল্পনা কৰিব নোৱাৰাকৈ তাইৰ জোৱাৰতে নামি আহিছিল। প্ৰয়োজন জীৱনৰ ৰূপে, দ্বিতীয় হোৱাৰ শ্ৰী শ্ৰীদিনা লৈকে সংগ্ৰাম, জীৱনৰ লগতে পৰিচিতি নোহোৱা ছোৱালীজনী সৰোন মাহৰ পৃথিৱীত জীৱনক নকৈ হোৱাৰ হেপাঁহৰ পাহি মেলিছিলহে, কিন্তু সূৰ্য হৈ মুকলি, তাই শুনিছিলহে মাথো, হেৰত ক'ভিডে মাৰণ বেমাৰে ভয়াবহতা ৰূপ ধাৰণ কৰিছে। সেই বেমাৰত প্ৰাণ নাশ হ'ল দেউতাকৰ, মাককো হেৰুৱাৰ পিছতেই দেউতাকেই সিঁহতৰ বাবে জীৱনৰ সৰ্বস্ব আছিল। কিন্তু সিঁহত এতিয়া অনাথ মাক-দেউতাক বিহীন এই পথত তাইৰ জীৱনত অন্য কোনো ব্যক্তিৰ সহাঁৰি নাই। কোনে বুজিব, হাঁহিটোৰ আঁৰত লুকুৱাই থোৱা বিষাদৰ অপ্ৰকাশিত দস্তাবেজৰ ৰক্ষিত লিপি। গোটেই পৃথিৱীখন যেন খনি পৰিল আচম্বিতে, কথাবোৰ ভাবি থাকোঁতেই ১১ মহীয়া কান্দোনত তাই সম্বিত ঘূৰি আহিল। ভায়েকৰ কান্দোন, ভোক পেটৰ ভাগো। সিঁহত তিনি সদস্যৰ যেন এতিয়া পানীত হাঁহ নচৰা অৱস্থা। সৰুকণখানিটো পেটত বয়স নৌ হ'বলৈ পাওঁতেই ঘাট মাৰিব হ'ল। এইয়া বীমাৰ জীৱনৰ বাবে এক অনাকাংক্ষিত দুৰ্যোগহে তাই নিৰুপায়, অসহায় জীৱনক লৈ অথচ আগুৱাই যাবলৈও সাহস কৰিব পৰা নাই, তথাপিও তাই অবুজন মনক বুজাইছে তাই হ'ব লাগিব জীৱন সংগ্ৰামৰ নায়িকা, সহজ পথেৰে বাট নুবুলি জটিলপথত প্ৰতিষ্ঠিত হোৱাৰ সময় হ'ল। হয়, তাই জন্মদাত্ৰী পিতৃ-মাতৃক হেৰুৱাইছে; এতিয়াও কিন্তু দুটি জীৱন্ত প্ৰাণ সন্মুখত আছে, সিঁহতৰ ভোকাতুৰ জীৱনৰ বাবে হ'ব লাগিব প্ৰেৰণা। কথাবোৰ ভাবি থাকোঁতেই আকাশত ন সুৰুযৰ কিৰণ দেখা গ'ল, অন্ধকাৰে

দহনত লোহৰৰ স্বাগতম, এয়া যেন তাই জীৱনৰ অকমাহ বাতৰি। এই বাৰ্তাত জীৱন সংগ্ৰামৰ পিছৰ সুন্দৰতাখিনিৰ সন্ধান বিচাৰি পালে, জীৱনক প্ৰেমপোৱাৰ আজন্মৰ চিনাকি পৃথিৱীত ন-বাটত, ন উন্মেষ হ'ল। বহু দূৰ আগুৱাই যোৱা এটি প্ৰগতি পুৰাৰ লগে লগে ৰীমাই বিচাৰি স্তব্ধ হৈ যোৱা জীৱন কাহিনীৰ স্থায়ী ঠিকনা, বহু বসন্তৰ পাছত আকাশ নীলা সাজেৰে, যাযাবৰী টোপোলা লৈ উন্মনা হৈ পৰিছে। আশাৰে সোণোৱালী পুৰাতত্ত্ব। ৰীমাই সিদ্ধান্ত ল'লে আগুৱাই যাব যান্ত্ৰিকতা ভৰা ৰোমান্টিক লেণ্ড স্কেপ ধনিকৰ হ'বলৈ।

নীলা আকাশত উৰন্তী পখীৰ কলৰৱত বিচাৰি পালে। মনৰ দলিচাখনি, অৱগাহন কৰিলে অতীত আৰু বৰ্তমানৰ, পুনৰ আগবাঢ়িছে অনন্ত আশাক লগত লৈ পৃথিৱীৰ ইতিহাসত সাক্ষী হ'বলৈ। অনুভৱে আৰু অনুভূতিৰ শাশ্বত বাস্তৱৰ মাজত তাই জী উঠিল।

— টুম্পা ভদ্ৰা

# নিয়তি

নাম : শ্ৰী পূজা গগৈ
তৃতীয় ষান্মাসিক

এটা সুন্দৰ ভৱিষ্যত কল্পনা কৰি বহুতো ৰঙীন সপোন বাস্তৱত ৰূপান্তৰিত কৰাৰ আশা লৈ ৰমেনে সংসাৰ পাতিছিল। সন্তান বুলিবলৈ মাথোন এটাই লৰা প্ৰণয়। জীৱনৰ একা বেকা জটিল পথেৰে ৰমেনে তিনিজনীয়া সংসাৰত সুখেৰে দিন কটাইছিল। কিন্তু সময়ো যে কি নিষ্ঠুৰ। সেইদিনা মাথোঁ এঘণ্টাতে ঘূৰি আহিম বুলি কৈ ওলাই যোৱা মানুহজন দুটা দিনৰ পাছত ঘূৰি আহিছিল, বগা কাপোৰেৰে শৰীৰটো ঢাকি। সংসাৰত ৰৈ গ'ল দুটি অকলশৰীয়া প্ৰাণী প্ৰণয় আৰু মাক মণিষা। এই দুৰ্ঘটনাই ৰমেনৰ পৰিয়ালটোলৈ বিপদ নমাই আনিলে। বাপেকৰ মৃত্যুৰ সময়ত প্ৰণয় নৱম শ্ৰেণীৰ ছাত্ৰ আছিল। তাৰ স্বভাৱ-চৰিত্ৰও ভাল আছিল। পঢ়া শুনাৰ প্ৰতিও তাৰ আগ্ৰহ আছিল। তাৰ পঢ়াৰ প্ৰতি থকা ধাউতি দেখি মোমায়েকেই তাৰ পঢ়াৰ সকলো দায়িত্ব ল'লে। মোমায়েকৰ তত্বাৱধানতে তাৰ শিক্ষা জীৱন আগবাঢ়িল। পঢ়া-শুনাতো সি অধিক গুৰুত্ব দিছিল। এইদৰে সি এদিন মেট্ৰিক পৰীক্ষাও দিলে। সকলোৰে আশাকৰা মতে প্ৰণয় প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। প্ৰণয়ৰ ভাল ৰিজাল্টত মাকৰ লগতে মোমায়েকৰ নথৈ আনন্দ পাইছিল। মোমায়েকে আনন্দতে গুৱাহাটীৰ কটন কলেজৰ প্ৰণয়ৰ নামভৰ্তি কৰি দিলে। পঢ়াৰ বাবে মোমায়েকে গুৱাহাটীত থকা সুবিধা কৰি দিলে। প্ৰথম বছৰটো সি ভালদৰেই পঢ়া শুনা কৰিছিল। কিন্তু বিধিৰ বিপাকত প্ৰণয় লাহে লাহে সলনি হ'ব ধৰিলে। সি একেলগে থকা বিদ্যুৎ নামৰ ল'ৰাটোৰ কিছুমান বেয়া অভ্যাস আছিল। বিদ্যুৎৰ লগত থাকি প্ৰণয়েও বেয়াৰ ফালে গতি কৰিলে। লাহে লাহে প্ৰণয়ে মদ, ভাং, চিগাৰেট আদি নিচাযুক্ত বস্তু খোৱা অভ্যাসত পৰিণত হ'ল। আৰু পঢ়াৰ প্ৰতি থকা তাৰ আগ্ৰহ কমি আহিল। এদিন তেনেকৈয়ে নিচাসক্ত অৱস্থাত মটৰ চাইকেলেৰে আহি থাকোতে দুৰ্ঘটনাগ্ৰস্ত হৈ ঘটনাস্থলীতে মৃত্যুক সাৱটি ল'ব লগা হ'ল। পুত্ৰৰ এনে অকস্মাৎ মৃত্যুক মাক মনীষা যেন ভাগি পৰিছিল। একমাত্ৰ সন্তানৰ মৃত্যুৱে মাকৰ চিন্তা শক্তি বিলোপ ঘটালে আৰু পিছলৈ তেওঁ পৰিণত হ'ল এগৰাকী মানসিক ভাৰসাম্য হেৰুৱা তিৰোতালৈ।

Scanned with OKEN Scanner

# মৃত্যু

মৃত্যু এক চিৰন্তন সত্য। তথাপিও সকলোৱে বাবে মৃত্যু এক নিষ্ঠুৰ মুহূৰ্ত। মানৱ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সত্য হ'ল মৃত্যু। কাৰোবাৰ মৃত্যু সোনকালে আহে আৰু কাৰোবাৰ বাবে কিছু পলমকৈ আহে। এই সত্য আমাৰ সকলোৱে জ্ঞাত যদিও মৃত্যু সদায় বেদনাদায়ক।

তাৰোপৰি মৃত্যু যদি আকস্মিক বা দুৰ্ঘটনাজনিত হয়, ই মানুহৰ অন্তৰত মৰ্মান্তিক আঘাত দিয়ে। মৃত্যুও এক শিল্প আৰু মানুহৰ জীৱনটো এটি নাট ঘৰ স্বৰূপ, এই নাট ঘৰত আমি প্ৰত্যেকজনেই একোজন ভাৱৰীয়া আছোঁন। অভিনয় শেষ হ'লে, যিদৰে আঁৰ কাপোৰ পৰে, ঠিক সেইদৰে জীৱন নাটৰ যৱনিকা পৰাৰ লগে লগে মানুহৰ শৰীৰ পঞ্চভূতত বিলীন হৈ পৰে। কিন্তু আত্মাই অমৰত্ব লাভ কৰে। জন্ম হ'লে মৃত্যু হ'বই, ই চিৰন্তন সত্য। যদিও যাদুৰ ক্ষেত্ৰত সহিবলৈ আমাৰ কিছু কষ্ট হয়। জীৱনত বহুতো ধুমুহা আহে আৰু পাৰ কৰি যাওঁ মনে মনে বুকুত কিছু যন্ত্ৰণা লৈ। কিন্তু মৃত্যুৰ নিচিনা ধুমুহা পাৰ কৰিবলৈ বৰ কঠিন।

— দিম্পী গগৈ।
প্ৰথম ষাণ্মাসিক।

# অসৎ স্বভাৱৰ ছাত্ৰ

এসময়ত এখন গাঁৱত ৰূপম নামৰ এটা অতি অসৎ দুষ্ট স্বভাৱৰ ল'ৰা আছিল। সি নিজৰ বেয়া স্বভাৱৰ বাবেই গাঁৱৰ সকলো মানুহক অতিষ্ঠ কৈ পেলাইছিল। গাঁৱৰ মানুহবোৰে সি কৰা দুষ্টামিবোৰৰ কথা তাৰ মাক-দেউতাকক সদায়ে কৈছিল। কিন্তু ৰূপমৰ এই অসৎ স্বভাৱবোৰ কেতিয়াও শুধৰাব পৰা নাছিল। আনকি নালাগে সি স্কুলতো শিক্ষক-ছাত্ৰ সকলোৰে পৰা নিজৰ অসৎ স্বভাৱৰ কাৰণে বেয়া ব্যৱহাৰ পাইছিল।

পিছে এদিন স্কুলত ৰূপমে এটা ডাঙৰ অপৰাধ কৰিলে, তাৰ শিক্ষকে তাক পঢ়াই থাকোঁতে সি শিক্ষকক এটা বেয়া কথা ক'লে, তাতে শিক্ষকে মনত খুব দুখ পালে। শিক্ষকসকলে বাকী ছাত্ৰসকলকো ৰূপমৰ লগত ফুৰিবলৈ বাধা দিলে। বাকী ছাত্ৰসকলেও সেই দিনৰে পৰা ৰূপমৰ লগ এৰিলে।

তাৰ সেইদিনাখনৰ পিছত ৰূপমে তাৰ বেয়া স্বভাৱৰ বাবে নিজে নিজে দুখ কৰি শিক্ষকৰ ওচৰত ক্ষমা খুজিলে, শিক্ষকেও তাক বুজাই-বঢ়াই ভাল স্বভাৱৰ ল'ৰা হ'বলৈ ক'লে। সিয়ো সেইদিনৰ পৰা নিজৰ অসৎ স্বভাৱ ত্যাগ কৰি এজন ভাল স্বভাৱৰ ল'ৰা হৈ পৰিল।

— বিদিশা গোঁহাই ফুকন
প্ৰথম ষাণ্মাসিক।

# "এয়া চকুলো সুখৰ নে দুখৰ"

অৰুণিমা আৰু তেওঁৰ স্বামীয়ে কান্দিছে আজি । কিন্তু কিয় কান্দিছে তাৰ উত্তৰ তেওঁলোকৰ হাতত নাই । হয়তো এইয়া তেওঁলোকৰ একমাত্ৰ পুত্ৰ বিমলৰ সাফল্যৰ বাবে সুখৰ চকুপানীও হ'ব পাৰে, নতুবা সাফল্য পাচত দৌৰি দৌৰি মাক-দেউতাকক বৃদ্ধ বয়সত অকলশৰীয়াকৈ এৰি পত্নীৰ লগত লৈ সুদূৰ আমেৰিকালৈ উৰা মৰাৰ বাবে শোকৰ চকুপানীয়ো হ'ব পাৰে । তেওঁলোকে নিজেই বুজিব পৰা নাই যে এইয়া চকুলো সুখৰনে দুখৰ ।

— প্ৰিন্সী দাস
তৃতীয় ষাণ্মাসিক ।

# দেশসেৱা

প্ৰিয় পুৰুষজন দেশৰ বাবে শ্বহীদ হ'ল। সেয়েহে পুৰুষজনৰ শেষ চিহ্ন স্বৰূপে থকা ছোৱালীজনীক দেশসেৱাত পঠিয়াবলৈ এটি হাঁহিৰে সৈতে সিদ্ধান্ত ল'লে তাই। দেশসেৱা নকৰিও এয়াই জানো নহয় দেশসেৱা?



## হাঁহি

মাক-দেউতাক নথকা ছোৱালীজনীক ঘৰলৈ আনোতে মোৰে বেয়া চকুৰে মোক চাইছিল। কিন্তু নিজ সন্তানে এৰি যোৱা পাছত আজি মোৰে তাইক সাবটি হাঁহিছে।



— লিপি গগৈ
তৃতীয় ষাণ্মাসিক।

# পাগল

ভয়ংকৰ বাছ দুৰ্ঘটনাত মূৰত বেয়াকৈ আঘাতপ্ৰাপ্ত হোৱা যতীনৰ কঠিন অস্ত্ৰোপচাৰেও বিসংগতি সম্পূৰ্ণকৈ ঠিক কৰিব নোৱাৰিলে । শেষত উপাইবিহীন হৈ পৰিয়ালৰ লোকে ঘৰলৈ উভতাই আনিলে তাক । তেতিয়াৰে পৰা অৱহেলিত নিষ্পেষিত হৈ পৰিল যতীন । কিছুদিনৰ পিছত তাৰ ঠিকনা আছিল জাবৰৰ দম, বাচ আস্থান, ৰেল ষ্টেচন ইত্যাদি ।

: ঐ পাগলটো আহিছে, পাগল . . . চোৱা চোৱা হা হা হা, কাপোৰ পিন্ধিছে নাই ধৰিবই নোৱাৰি

চকটোত আড্ডা মাৰি থকা ল'ৰাকেইজনৰ পৰা উফৰি আহিছিল শব্দবোৰ । হয়তো কোনো এজনৰ মনলৈ অহা নাছিল যে মানসিক বিকাৰগ্ৰস্ত যতীনও আছিল সেই নেপৰীয়া বতাহ জাকৰ দুৰ্দান্ত প্ৰেমিক । ঠিক মোৰ আৰু আপোনাৰ দৰে ।

অবিদিতা দাস
তৃতীয় ষাণ্মাসিক

# কবিতাৰ কানন

তপত উশাহৰ হুমুনিয়াহত আবেগবোৰ ঠন ধৰি উঠে, প্ৰশান্তিৰ সিটোপাৰত, হৃদয়ৰ বিলুপ্তিৰ সমাধিত অন্তৰাত্মাৰ পৰা প্ৰস্ফুটিত হয়, কথোপকথনৰ ৰাগি লগা ঠিকনা, সেই ঠিকনাই কবিতা ....


বেদনাৰে নতুবা নোপোৱাৰ হাবিয়াসত চকুলো মচি শূন্যতাবোৰৰ পূৰ্ণতা বিচাৰি কবিতা জিৰণি লয় মনৰ দেৱালত।




# মা মই নিৰ্দোষী...



মা.... ক্ষমা কৰিবা মোক, মই তোমাৰ কথা
বুজাব ভলাই আছিলো সময় পোৱা ।
মোৰ ভালো মন নাযায় মাতাৰ দৰে ফুৰিবলৈ,
তাকে ইমান সহজে ফুৰিব দিয়া মোক কিয় নিদিয়া ?
আজি মই তোমাক সোধোৱাকৈয়ে আহিলো ।
ইমান ধুনীয়া ঠাই, বহুত মানুহ আছিল,
মনৰ আবেলি ।



মা... সেই মানুহবোৰেই মোৰ বাবে কাল হৈ পৰিল ।
সেই মানুহ ... মোৰ সৈতে ... কৰে ।
মানুহবোৰে ... মোৰ জীৱনৰ স্বাধীনতা ল'লে ।
মা... মই তোমাৰ ... বহুত আশা কৰিছিলোঁ,
যি আশা কৰিছিলোঁ
তুমি চাগে ভাবিছা ... নাছিলা ।
দানৱৰ হেঁচাত মোৰ প্ৰাণ গ'ল, ভালেই আছিলো ।
মা... চিঞৰি তোমাৰ মৰমৰ মাইনাৰ শৰীৰৰ
তেজৰ সোঁত বোৱালে ।
মোৰ কোনো দোষ নাছিল অ' মা....
মোৰ কথা তুমি চিন্তা নকৰিবা
নাকান্দিবা....




মই এটি আত্মা ... তৰাৰ দেশলৈ
যোৱাৰ পাছত মই তোমাক চাম
আৰু মই
তোমাৰ মৰম পালে মন যায়
আহিবা ... আকাশলৈ চাবা,
মই সদায় তোমাকেই
দেখা দিম ।

অনামিকা গগৈ ।

# বৰষুণ

মেঘৰ গাজনিত
তাৰবৰ টোপনি,
বৰষা নামি আহি
তিয়ালে ধৰণী ।
তোমাৰে,
মেঘৰ মাদল, বৰষাৰ শব্দ
ৰাগবৰ্ষা ছন্দ আদিকে সামৰি,
লিখিলো এটি অনুভৱৰ কবিতা
তোমাৰ নামকে সুঁৱৰি ।
তুমিও নামি আহা
মোৰ হৃদয়ত
এজাক প্ৰেমৰ
বৰষুণ হৈ ।
প্ৰতিটোপালে বৰষুণতে
তিতিম যাম,
মোৰ মনৰ অনুভৱৰ
দি যাম প্ৰাণ মোৰ কবিতাক ।



— প্ৰিয়ংকী দাস
তৃতীয় ষাণ্মাসিক

# শিৱসাগৰ ছোৱালী কলেজ



শিৱসাগৰ ছোৱালী কলেজ মানেই
সেউজ দেশৰ ৰঙীন পখিলাজাক,
ইয়াৰ প্ৰতিটো শব্দত লুকাই আছে
প্ৰতিগৰাকী ছাত্ৰীৰ এক জলন্ত জীৱন কাহিনী,
লুকাই আছে প্ৰতি গৰাকী ছাত্ৰীৰ ভৱিষ্যত,
যেৰাই যোৱা আপোনৰ গঢ় বান্ধ খাই
এই কলেজৰ পাতত্ৰেই।
ঐতিহ্যমণ্ডিত সোণালী প্ৰাংগনত অৱস্থিত
আমাৰ কলেজ,
ইতিহাসৰ পাততে সোণালী আখৰে অঙ্কিত হৈ ৰোৱা
এটি নাম শিৱসাগৰ ছোৱালী কলেজ।
মনোৰম বাহ্যিকতাৰ উপৰিও
এক মধুৰ সম্পৰ্কৰ সৃষ্টি
এই কলেজৰ এক আভ্যন্তৰীণ দিশ।
শিক্ষাৰ পৰা সাংস্কৃতিক দিশলৈ,
সকলো ক্ষেত্ৰতে এই কলেজ আগৰণুৱা।
গৌৰৱেৰে এই নামটো লওঁ
শিৱসাগৰ ছোৱালী কলেজ।

— মাইনী বুঢ়াগোহাঁই
তৃতীয় ষান্মাসিক






# নিষ্ঠুৰ সময়

সময় বোৱতী নদীৰ দৰে
পাৰ হৈ গ'লে উভতি নাহে কেনোদিনে
সময়ে বহু কিবা কিবি
শিকায় যায় ,
জীৱনেও বহু কিবা কিবি
দি যায় আৰু কেতিয়াবা
লৈও যায় ।
পোৱা বোৰতকৈ
নোপোৱাৰ পৰিমাণ বেছি ।
এই নিষ্ঠুৰ সময়ে কাঢ়ি লৈ গ'ল
সোণোৱালী শৈশৱ আৰু
দি গ'ল যৌৱন ।
ভাল লগা বোৰ
এতিয়া যেন হৃদয়ৰ এক নিভৃত
কোণত সাঁচি থৈছোঁ ।
কিছুমান হয়তো পাহৰণিৰ
গৰ্ভত লীন হৈ গৈছে ।
ব্যস্ততাপূৰ্ণ জীৱনৰ অকলশৰীয়া
যাত্ৰা মোৰ ।
আৰু এক গতিশীল সময় ।

প্ৰজ্ঞাশ্ৰী বৰুৱা
তৃতীয় ষান্মাসিক



# আহিবা তুমি

বাৰিষাৰ সোণাৰুৰ হালধীয়াবোৰে
মাতি থাকে কাষলৈ তোমাৰ দৰে ,
টিপটিপীয়া বৰষুণজাকত তিতিব হেঁপাহ
প্ৰথম প্ৰেমৰ সাক্ষী কৰি তোমাৰ সতে ।
ভৰ যৌৱনৰ উত্তেজনা নাপাওঁ
তোমাৰ উষ্ণ স্পৰ্শত !
থাকি আছে শ্ৰদ্ধা , হৃদয়ৰ আকুলতা
এয়াই যে আপোনতা ।
জোনাক নিশা খিৰিকিৰে পোহৰ হৈ আহি
তুমিয়ে জানো পোহৰাই তোলা নাই
প্ৰেমৰ মোৰ হকোঁচলীয়া ঘৰটো ?
আহা , অলপ পৰৰ বাবে হ'লেও জিৰণি লোৱা
মোৰ উদাং বুকুৰ আঁচলখনত ।
এই হৃদয় যে তোমাৰ বাবেই
সযতনে ৰাখি থোৱা
সেউজীয়া এখন কোমল দলিচা ,
সপোনৰ দিকচৌ বাটেৰে
আগুৱাবলৈ তুমি আহিবা
নিতৌ ভোগৰ আঁতৰাই
পুৱাতি নিশা ।


হৃষ্টি গগৈ
প্ৰথম ষান্মাসিক ।



# শিক্ষাগুৰু

— প্ৰাৰ্থিতা ৰেতগা
প্ৰথম ষাণ্মাসিক ।

হে শিক্ষা গুৰু
আপোনালোকক যাচিছোঁ সশ্ৰদ্ধ প্ৰণাম ।
আপোনালোকৰ জ্ঞানৰ পোহৰৰ দ্বাৰাই
জিলিকাই তুলিম আমাৰ মাতৃভূমিৰ নাম ।।
আপোনালোক যেন এডাল মমবাতিৰ দৰে
নিজে নিজে জ্বলি আমাক পোহৰ দিয়ে ।
আপোনালোকে আমাক বহুত মৰম কৰে
জ্ঞান - বিদ্যা সকলোবোৰ আপোনালোকে দিয়ে ।।
হে শিক্ষাগুৰু
আপোনালোকে আমাক দিয়ক আশীৰ্বাদ
আমি যাওঁ আগুৱাই ।
বিশ্ব দৰবাৰত জিলিকাওঁ মাতৃভূমিৰ নাম
উন্নতিৰ জখলা বগাই ।।
আহা সমনীয়া আশীৰ্বাদ লওঁ গুৰুৰ চৰণত
ৰাখিব পাৰোঁ যেন মাতৃভূমিৰ নাম বিশ্বদৰবাৰত ।
আপোনালোকৰ আশীৰ্বাদ যেন দেৱতাৰ ফুল
আপোনালোকৰ অবিহনে জীৱন আমাৰ শূণ্য ।।



# দেউতা



দেউতা,

কি লিখিম আপোনাৰ বিষয়ে,
হয়তো অভিধানতো এনে শব্দ নাই,
যি শব্দই আপোনাৰ বিশালতা বুজাব,
জন্ম হোৱাৰ পৰা দেখি আহিছো,
আপোনাৰ যৌৱন, হয়তো সেয়া আপোনাৰ
শিশুতা। কান্ধে তুলি লোৱা বুকুত বান্ধি,
নিৰবিচ্ছিন্নভাৱে, দুবাহু যায় আমাৰ
দায় ভাৰ সকলো আপোনাৰ;
সেইদিনাও আমাক অনুভৱে হ'ব নিদিলে,
আপোনাৰ সীমাহীন কষ্টবোৰ।
আজি পালোঁ তো দেউতা আপোনাৰ আমাৰ
প্ৰতি মৰমৰ পৰিসীমা কিমান বিস্তৃত।
দেউতাৰ বুকু সাগৰৰ দৰে গভীৰ হয়,
দেউতা আছে যাৰ সকলো আছে তাৰ,
দেউতা নাই যাৰ দুখ বেদনা তাৰ।



— স্মৃতি বেগম
প্ৰথম ষাণ্মাষিক।

# জীৱন

— শিখামণি টাযু
প্ৰথম ষান্মাসিক



ক্ষত - বিক্ষত সকলো আশাৰ
আগুৱাই যোৱা আশাৰ ৰেঙনিৰ দিশে ।
যি পালে সেয়াই প্ৰাপ্তি ,
যি নাপালে সেয়াই নিয়তি ।
নৈৰ দৰে বৈ যোৱা
চৰাইৰ দৰে উৰি যোৱা ,
সপোনৰ বাস্তৱতাক বিচাৰি ।
চাকিৰ শিখাৰে উজ্জ্বলাই তোলা ,
উজ্জ্বলাই তোলা আমাৰ জীৱনটোক ।



জীৱনটো নিশ্চয়েই মসৃণ
নিশ্চয়েই কণ্টকময় ।
লোপোৱাবোৰৰ দুখত খন্তেকো নৰ'বা
জীৱন যুদ্ধৰ [illegible] পথত
আগুৱাই যোৱা চিৰদিন - চিৰকাল ।

# নিশাবোৰ ইমান অবৰ্ণনীয়া কিয়

কেতিয়াবা আকাশক সুধিবা
তাৰ গভীৰতা কিমান
কেতিয়াবা নিশাবোৰক সুধিবা
আন্ধাৰ কোঠালীৰ ফাঁকেৰে ওলোৱা
ধোঁৱাবোৰৰ কান্দোনৰ উচুপনিবোৰ
আৰু ঘন ঘন উশাহৰ গতিবেগ.... ।

নিশাবোৰ ইমান ভয় লগা কিয় বাৰু ?
মন যায় জানিব,
বিষাদেৰে ভৰা আন্ধাৰৰ বুকুৰ বেদনাবোৰ ।
কেতিয়াবা শুনিবা জানো --
মাজনিশা কেঁকেৰী জনীৰ কান্দোন ;
শুনিবা জানো কেতিয়াবা
পুখুৰিৰ পৰা লৈ অহা জিলি জনীৰ
চি- চিয়নি.... ।
নাজানো নুবুজো
নিশাবোৰ ইমান অবৰ্ণনীয়া কিয় ।

— পৰিমীতা চাক্কীয়া ।

# বিদায়

এক নিষ্ঠুৰ শব্দ বিদায়
বিদায় বেলাত কিয় হৃদয় উদ্বেলি উঠে
এইযাত্ৰা আপোন বন্ধুৰ বিদায় ।।

বিদায় বেলাত কিয়
অজানিতে দুই নয়ন
এইযাত্ৰা আকাশৰ তৰা কিনি আৰটি
আজৰাই তোমাৰ বিদায় ।।

বিদায় বেলাত অতীতক সুঁৱৰি
হৃদয় হাহাকাৰ কৰি উঠিছে
চৌপাশে মাথোঁ ক্ৰন্দনৰ জোৱাৰ ।।

সোঁৱৰণীৰ এখিলা পৃষ্ঠাত
সুখ দুখৰ অনুভূতি আৰটি
আপোন বন্ধুৰ দিশত ধাৱিতি হেলা
আমি এজাক উৰণীয়া পখী ।।

— ইস্মিতা মামৰ গগৈ ।
প্ৰাক্তন ছাত্ৰী ।

# এয়াই হয়তো নাৰী

এইয়া ৰাতি পাৰ----
যুগ-যুগান্তৰ জন সম্মদনৰ
আজিও সংগ্ৰামৰ শেষ হোৱা নাই ।
ক্ৰোধ আৰু বেদনাৰ
আৰ্তনাদ ফালি আজি আকৌ,
সহস্ৰ নাৰীয়ে কি কৈ গ'ল----- ।
ক'লে------
স্বাৰ্থলোভী দানৱৰ কলঙ্ক কাহিনীৰ
কথা---- ।
যি কাহিনীয়ে, আজিও বুকুৰ
বেদনা কাতৰ কৰি তোলে,
মাতৃ-ভগ্নী আৰু নাৰীত্বৰ
চকুপানীয়ে----- ।
যি কাহিনীয়ে----,
আন্ধাৰৰ আঁত বিচাৰি
অবলতা, নীৰৱতা
সকলোটি শেষ কৰি
ভগ্ন হৃদয়ৰ বিষাদ
ঘণ্টাশিক্ত কৰি তোলে----- ॥
এইবোৰ অতিক্ৰমৰ
অন্ত আছেনে কৰবাত ॥
যিয়ে অন্তৰৰ সকলো বেদনা
নিশেষ কৰি তুলিব---- ॥
এইবোৰ অন্তৰৰ অসমন্ত নীৰৱতা
ভাংগ হ'বনে কেতিয়াবা ।
যিয়ে প্ৰাণৰ আপ্লিত আৰ্তনাদবোৰ
শুনি ৰব--- ॥
এইয়াই হয়তো নাৰী--
যাৰ মৰ্মস্পৰ্শী হৃদয় বেদনা
কোনেও নুবুজে; শুনিও নুশুনে
শতেক লাঞ্ছিতা নাৰীৰ
ভগ্ন হৃদয়ৰ বিষাদ ঘটনাৰ
কথা--- ॥



শ্ৰীমতী সুকন্যা বৰুৱা

# আউসীৰ ৰাতি

আবেগক সাৱটি কৰি সৰগৰ বিজেতা
নহ'ৱা......
সৰহ ফুলৰ বীজ হোৱাৰ ইচ্ছা নাই
সাগৰৰ চুনামি হৈ ক্ষন্তেক
সময়ৰ বাবে নাহিবা ...
উদং হিয়াৰে বেদনাৰ ভাৰ সহা টান
মৰুভূমিৰ মৰীচিকা হৈ
নিলগতে নথকা ....
হৃদয়ৰ মৰমেৰে ভৰপূৰীয়া কৰি
জোনাকৰ পথত সংগী হোৱা





আন্ধাৰ ৰাতিৰ বাবে বুলি
হিয়াত ফুলা গোলাপৰ
মালা তুমি হোৱা....
জোনাকৰ আকাশত তুমি
জোন হোৱা...
মই তৰা হৈ আকাশতে থাকিম
সাজনিশা উজাগৰে সপোনৰ কাৰণ
তুমি হোৱা...
কথা দিবানে মোৰ লগৰী হ'ম বুলি
আহিবানে জ্যোতি বিলাবলৈ
মোৰ আউসীৰ ৰাতি ?

— বনালী গগৈ,
পঞ্চম ষাণ্মাসিক।

# আবেগ

উজাগৰী নিশা তোমাৰ দুচিন্তাৰ বলি হই ...
শব্দৰ দ্বাৰা প্ৰকাশ কৰিব জানো পাৰি ?
এই দুচিন্তাবোৰ !!
আস্বাদন পৰিছে ওঁঠৰ হাঁহিৰ ...
ক্ৰন্দনত নয়ন মোৰ অস্থিৰ ,
ব্যথিত কৰিছে তোমাৰ স্মৃতিবোৰে ...

হৃদয় আবেগিক হৈ পৰিছে তোমাৰ
সহানুভূতি বিচাৰি ... .
বেদনাৰ সাগৰ সৃষ্টি হৈছে .
অশ্ৰুবোৰ নিৰন্তৰভাৱে বৈ গৈছে !
নিজা আবেগবোৰৰ অলিলে
সমাধি ঘটিছে ... আপোন জনক
হেৰুৱাৰ বেদনাত ।



— দিম্পী লাচন
পঞ্চম ষাণ্মাসিক ।

# বান্ধৱী

আজিলৈকে পোৱা নাই ক'তো
তোৰ দৰে বান্ধৱী ।
বহুত বিচাৰিছোঁ ,
বিচাৰি চলাথ কৰিছোঁ মই
কিন্তু পোৱা নাই তোৰ দৰে বান্ধৱী ।
আজি অমুকৰ লগত ,
কালি তমুকৰ লগত ,
তই বুলি সকলোৰে হাতত ধৰি ঘূৰিছোঁ মই ,
তোৰ হাতৰ স্পৰ্শৰ দৰে সেই স্পৰ্শবোৰ নহয় ,
সকলো যেন ভুৱা , সকলো অহংকাৰী , সকলো স্বাৰ্থপৰ ।
ক'ত গলি তই , আকৌ ঘূৰি আহ মোৰ কাষত
তোৰ অবিহনে যেন সকলো ফিকা ।
তই ঘূৰি আহ মোৰ কাষত
ঘূৰি আহ আকৌ এবাৰ ।

— চাবিআৰা আহমেদ
প্ৰথম ষাণ্মাসিক ।

# সত্যৰ যুগ

কেতিয়ানো শুচি গল্প
সত্যৰ যুগ,
আহিবনে আকৌ ঘূৰি
এই সত্যৰ যুগ ?
আকৌ আহক এই সত্যৰ যুগ
মানুহৰ মনত হওঁক সত্যৰ ৰোগ ।
আহাঁ আহাঁ সত্যৰ যুগ
আকৌ ঘূৰি আহাঁ,
মানুহৰ মনত আকৌ
সত্য সুমুৱাই দিয়া
সত্যৰ সদায় জয়
নাপাহৰিবা
কেতিয়াও মিছা কথাৰ
কাম নাচাপিবা ।।

শ্ৰীমতী প্ৰিয়া দুৱৰা
স্নাতক পঞ্চম ষাণ্মাসিক

# সপোন

এটা সপোনক লৈ কৰিছো আশা ,
সেই সপোনেই হ'ল মোৰ পঢ়া-শুনা ।
পঢ়া-শুনা কৰি মই ডাঙৰ মানুহ হম
ভৱিষ্যতৰ প্ৰতিটো খোজত আগবাঢ়ি ৰম
হ'ব পাৰো মোৰ সপোন এই দিশকত
ভাবিলেই ভয় লাগে পৰো বিপাঙত ।
আজি যাব নিদিও মই এই সপোনক ;
কিবা কৰি হ'লেও কৰিম বাস্তৱ জীৱনত ।
জ্ঞানৰ চাকিৰে জ্বলাম এই সপোনক
জিলিকি উঠি হ'ব উজ্জ্বল ভৱিষ্যত ।
কষ্ট কৰি যাম এই মোৰ সপোনৰ লগত
এৰাৰি নপাৰো কেতিয়াও কৰিম দিশত ।
আঁও তো মিছ হ'ব আশা কৰা সপোন পাৰত
নিদিওঁ যাবলে নুমাব মোৰ জ্ঞানৰ পোহৰক ।

— শ্ৰীমতী পলী গগৈ ।

Scanned with OKEN Scanner

# ঈৰ্ষান্বিত মানৱ

অন্ধকাৰ চন্দুকত বন্দি হৈ
ধ্বংস প্ৰেমী মনুষ্য জাতি
বৰ্তমান ঈৰ্ষান্বিত
সেউজীয়াবোৰৰ নিৰ্লজ সৌন্দৰ্য্যতা দেখি উদ্বিগ্ন
বিলাস প্ৰিয় ভূমণ্ডলৰ মনুষ্যই
ধ্বংস যজ্ঞ চলাইছে সেউজীয়াবোৰৰ সৈতে
হৰণ কৰিছে সৌন্দৰ্য্যতা
কিন্তু কিয় ?
বৰ্তমান হাতৰ পুতলা হৈ পৰিছে সেউজীয়াবোৰৰ
অন্ধকাৰ বন্দী চন্দুকত বন্দী জীৱন।
এয়া জানো বাঞ্ছনীয় ?
যান্ত্ৰিকতাৰ মোহত মন্ত্ৰমগ্ন হৈ
প্ৰদূষণৰ ভেঁৱাল বাজিছে পৃথিৱীত
দূষিত কৰিছে সেউজীয়া প্ৰকৃতি,
কলা বৰণ আনিছে জননীৰ মুখনিত।
আজিকোন সুৰক্ষা কৰছে হিচাপে
আমাৰ নিজৰ মুখতেই মূৰ্খতাৰ আঁকৰ।

— ৰিত্তিকা শইকীয়া
পঞ্চম ষাণ্মাসিক

# মাজুলীলৈ আহিবচোন এবাৰ

মাজুলীলৈ আহিবাচোন এবাৰ
আমো অসমতৰ বাস উত্তৰতে নথম,
বাৰিষা কালতো এবাৰ মাজুলীলৈ আহিবা
বিশাল ব্ৰহ্মপুত্ৰৰ মায়াময় ভোল,
ভুমুত কোঁচ-মোচ খাই
বাটি উজানৰে পাৰ কৰা
দুৰ্ভগীয়াজনৰ মনৰ খবৰ
লবলৈ জানো তোমাৰো মন যায়া ?
চপৰা-চপৰে খালে খহাই নৈয়ে ঘোৰাল
মাজুলীৰ উদং বুকু
দুখ বিদাৰক দৃশ্যই
হয়তো তোমাকো কন্দুৱাব ।
কপালত ঘাম কাঢ়িও পোলাই
কমে কৃষকে ভেটিত
ব্ৰহ্মপুত্ৰৰ ক্ষীয়ৰৰ পাৰ ।
কতজনৰ ঘৰ-দুৱাৰ
নদীত জাহ যায়,
ছুখিহীনবোৰৰ আলৈ-আথানি
যেন কোনো দেখোঁতা নাই ।
অসমীয়া সংস্কৃতিৰ ভঁৰাল এই
গুৰুজনাৰ সৃষ্টি
কবিতা প্ৰবন্ধ গল্পৰে লিখিছো
তোমাৰে স্বপ্নময় মাজুলী
আহা তুমি-----
অতি সোনকালে আহাঁ দিকঁযানো------?
মাজুলীৰ ভৱিষ্যৎ অক্তেকীয়া
হয়তো কবিতা, প্ৰবন্ধ, গল্পতেই
ৰৈ যাব মহিমাময়ী মাজুলীৰ
গৌৰৱৰ কথা ।।

শ্ৰী মতি দীপশিখা বৰা
স্নাতক তৃতীয় ষাণ্মাসিক

Scanned with OKEN Scanner


# ঐই পৃথিৱী মানুহৰ ঘৰ

এই পৃথিৱী মানুহৰ ঘৰ
কিন্তু দুখৰ কথা যে
বৰ্তমান সময়ত ইয়াত
অমানুহৰ সংখ্যা বেছিকৈ বাঢ়িছে
লোভ, মোহ অহংকাৰ
আদি অমানৱীয়তাৰ কাৰ্যৰ
গহ্বৰত সোমাই,
জীৱশ্ৰেষ্ঠ বুলি পৰিচিত
মানৱ জাতি আজি
নিজৰ ঘৰতেই অস্তিত্বহীন হৈ পৰিছে
মানুহ হৈ জন্ম লৈছে
কিন্তু অমানুহৰ আচৰণে,
নিজৰ ঘৰতেই জাতিত
কলংক আনিছে ।
আপোন ধৰাক
নিজৰ ঘৰ বুলি নিচিনি,
আপোন মানুহক
পৰ বুলি ভাবি
নিজৰ মাজতেই সৃষ্টি কৰিছে
সংঘাতৰ দেৱাল ।
ইয়াতো শান্ত নাথাকি
এই জীৱশ্ৰেষ্ঠৰ এচামে
চলাইছে নিৰিহ, অবুজ
প্ৰাণীৰ ওপৰত অত্যাচাৰ
মানুহ হৈ পশুৰ দৰে
আচৰণ কৰে
পশুৰ দৰে ভাই-ভনীসকলক
আক্ৰমণ কৰে
কলিজাৰ এটুকত জীৱশ্ৰেষ্ঠৰ
এই অধঃপতনৰ দৃশ্যই
জোৰকৈ খুন্দা মাৰে
অস্তিত্বহীন কলংকিত জাতিত
পৰিণত হোৱাৰ ভয়ে
হৃদয় আৱৰি ধৰে

— প্ৰিষ্টী দাস
তৃতীয় ষাণ্মাসিক ।

# বৰষুণ

বৰষুণ মোৰ খুব প্ৰিয়
সেই বৰষুণৰ টোপালবোৰ
সেই মেঘৰ গাজনিবোৰ
বৰষুণ মোৰ খুব প্ৰিয়
কাৰণ বৰষুণৰ সেই
মুকুতা টোপালবোৰৰ মাজত
নিজৰ সকলো
দুখ কষ্টবোৰ তাঁতবোৱাৰ
মোৰ এক সুবিধা ।
বৰষুণৰ লগত মোৰ
চকুপানীবোৰ মিলি যায়
বৰষুণৰ আৰত বিয়পি যায়
মোৰ চকুপানীবোৰ,
আঁতৰি যায় মোৰ দুখ-কষ্টবোৰ
বৰষুণে কঢ়িয়াই আনে
মোৰ বাবে এটি সামান্য সুখ।
বৰষুণ মোৰ প্ৰিয় ।
এই প্ৰিয়তা মোৰ বাবে
আজীৱন থাকিব ।।



— মিছ্ ইয়াছমিন বেগম
তৃতীয় ষান্মাসিক

# ভণ্ড সমাজ

আইতাৰ মৰমৰ নাতিনীজনীৰ আজি বিয়া
আইতাই মাংগলিক অনুষ্ঠানত হাত দিব
নোৱাৰে, কাৰণ আইতা বিধবা ।
অতুলৰ ছোৱালী জনীৰ চৰিত্ৰ বেয়া
যোৱা কালি কলেজৰ পৰা আহোতে
লৰা এটাৰ বাইকত আহিছিল বোলে ।
ৰবিনৰ জীয়েকৰ ভাল পাবচেনটেজ
ভাল ছোৱালী ।
ঘৰৰ কামৰ মানুহজনী গিৰিয়েকৰ
অত্যাচাৰত থাকিব পৰা নাই
বাদ দে সিহঁতৰ ব্যক্তিগত সমস্যা ।
অমুকৰ বোৱাৰী ৰৰ ভাল লাখ টকাৰ
আচবাব আনিছে ।
মানুহজনীৰ ওপৰত গিৰিয়েকে প্ৰায়েই হাত
তোলে ধৈৰ্য্যৰ সীমা চেৰাই আজি পত্নীয়ে
এচৰ সুধালে
পুৰুষৰ ওপৰত হাত তুলিলে
গতিকে পাপৰ প্ৰায়চিত কৰিব লাগে ।
এইয়াই আমাৰ সমাজ ।
সমাজ নহয় ভণ্ড সমাজ ।

— পৰী বৰগোহাঁই
পঞ্চম ষাণ্মাসিক ।

Scanned with OKEN Scanner

# কামধেনু

ভাৰৱীয়া বৃষ্টি অহা নাই, নামি
তুমি আহিবা বুলি ।
এতিয়াও যোৱা নাই ঝৰি
কৃষ্ণচূড়া ফুলৰ থুপি ,
সেউজ আকাশৰ নীলিম সপোন তুমি
স্নিমধুন মলয়া বুকুৰ
পলাশত ফুটি উঠা এজোপাল মৌছুন
উন্মনা ৰূপহী তৰণ
জীৱনৰ তুলাচালনীত নিজকে চাওঁ জোখি
কিজানি হ'ব পাৰো তোমাৰ অংশভাগী ।
অগ্নিৰ শিখা যেন সৃষ্টিৰ ভাষা তুমি
কামধেনু মোৰো সপোন ।

— প্ৰিতমী নাথ
পঞ্চম ষাণ্মাসিক ।

## ধৰ্ষিতা

কিয় মোক অপৱিত্ৰা কৰিলা ?
কবৰ ফুলৰ শান্তি দিলা মোক ?
আৰু নোৱাৰো অ'
এৰি দে মোক এৰি দে
নোৱাৰো সহিব আৰু
সহিব নোৱাৰো মই .
অন্ধ সমাজৰ লাঞ্ছনা - বঞ্চনা
সকলো কৰিও তহঁতে আজি
শূণ্য আকাশৰ তলত
আৰু মই ----
আৰু মই হৈ গলোঁ
সমাজৰ চকুত ধৰ্ষিতা
শাহি নেমেলা মোই
নিষ্প্ৰাণ ফুলৰ কলিটোও
কিয় সোঁহাৰি পেলালি ?
দেহতাৰ সুধা পিন্ধি ,
কিয় আজি তহঁত
অসুৰ হৈ গলি ?
কিয় ..... ?
কিয় সমাজৰ আগত মোক
" ধৰ্ষিতা আখ্যা দিলি "।।

— দ্বীপশিখা বড়া


# দেউতা

তুমিয়েইটো মোৰ মৰমৰ দেউতা,
তোমাৰ সান্নিধ্যতেই সৰুৰে পৰা লাহে লাহে সকলো শিকিছোঁ।
নিজে নাখাই সন্তানক সুখ দিয়াজনেই মৰমৰ দেউতা।
নিজে দুখত থাকি সন্তানক অভাৱ অনুভৱ কৰিব নিদিয়া
জনেই দেউতা !
দেউতাই সকলোৰে বাবে প্ৰধান শিক্ষাগুৰু।
কপালৰ ঘাম মাটিত পেলাই ঘৰখনৰ সুখৰ বাবে
তুমিয়েই কষ্ট কৰা।
তোমাৰ সান্নিধ্যতেই যেন সকলো জীপাল হৈ পৰে।
নাজানো তোমাক কি দিব পাৰো,
তথাপি যেন ভৱিষ্যতে তোমাকো সুখত ৰখাৰ
প্ৰতিশ্ৰুতি দিব পাৰিম।।

— তৃষা চেতিয়া
পঞ্চম ষান্মাসিক।

Scanned with OKEN Scanner

# হে শ্বহীদ তোমাক প্ৰণাম



হে শ্বহীদ তোমাক প্ৰণাম
নিজ দেশ নিজ জাতিৰ
ৰক্ষাৰ হেতু তুমি
দি গ'লা প্ৰাণ ।
স্বাধীনচিতিয়া মনক
পৰাধীন কৰিব খোজা,
আমাৰ মাতৃভূমিক
নিজৰ অধীন কৰিব খোজা,
দানৱ হঁতৰ লগত কৰি গ'লা তুমি
স্বাধীনতাৰ সংগ্ৰাম ।
এই সংগ্ৰামতেই তুমি
মানৱ আগত উপাধি পালা শ্বহীদ
গাৰ তেজ পানী কৰি, শত্ৰুৰ লগত যুঁজি যুঁজি
তুমি আমাক কৰি গ'লা স্বাধীন ।
জাতিৰ পিতা মহাত্মা গান্ধীয়ে
অহিংস নীতিৰে যুঁজ দি দেশক বচালে,
কত বীৰ-বীৰাংগনাই স্বদেশৰ স্বাৰ্থত
নিজৰ প্ৰাণকো ত্যাগিলে ।
শত্ৰুক নাশিবলৈ, দেশক বচাবলৈ
নামিলে ৰণাংগনত,
দেশৰ কাৰণে শত্ৰুৰ হাতত পৰি
ওলমিলে ফাঁচি কাঠত ।
তোমাৰ ত্যাগ, তোমাৰ দেশপ্ৰেমক
সন্মান জনাই সদায় ৰাখিম হৃদয়ত
তোমাৰ আদৰ্শক অনুসৰণ কৰি
আমিও আগুৱাই যাম স্বদেশৰ স্বাৰ্থত

— প্ৰিঙ্কী দাস

# নীৰৱ আকাশ

পপী গগৈ

নীৰৱ আকাশৰ তলত
জোনাকৰ পোহৰে মন নিয়ে
ধ্যানৰ সপোন পাৰত
উলাহতে নাচি ফুৰে জোনাকী পৰুৱাই
জিকমিক্ কৰি ধুনীয়া পৃথিৱীৰ মাজত ।
সোণালী সাজেৰে কৰি নতুন ৰূপে ধৰি
ৰচিছে পৃথিৱীখনে এক সৌন্দৰ্য কৰি ,
যতিকৰাই চাই ৰয় নিৰিবে ভাৱে ৰয়
পৃথিৱীখন হৈ ৰ'ল সেউজী ধৰণী ।
প্ৰকৃতিৰ মাজৰ সুবাসত থাকি
সকলোৰে কান্দে ইনাই বিনাই কৰি
হ'ব নেকি পৃথিৱী এই বিনষ্ট আজি ।



# মহৎ লোকৰ বাণী

১. পৃথিৱীৰ আটাইতকৈ বেয়া কাম হৈছে আনৰ সুনাম নষ্ট কৰা।

— ৰামকৃষ্ণ পৰমহংস।

2. যিমান সমাজে সকলো প্ৰাণীকে সন্মান নকৰে সেইমান সমাজৰ অৱনতি ঘটে।

— এলবাৰ্ট আইনষ্টাইন।

৩. দেশৰ হেতে প্ৰাণ দিবা, কিন্তু কাৰো প্ৰাণত আঘাত নিদিবা।

— মহাত্মা গান্ধী।

৪. আমি যি জানো, সি অতি সামান্য, আমি যি নাজানো, তাৰ সীমা নাই, এতেকে নিজকে জ্ঞানী বুলি ভবা অনুচিত।

— পাপেলচ।

৫. অহিংসা কেৱল ঋষি-মুনিৰ বাবেই নহয় ই জনতাৰ কাৰণেও। অহিংসা মানৱীয় ধৰ্ম আৰু হিংসা হৈছে পশুৰ ধৰ্ম।

— মহাত্মা গান্ধী।

৬. আত্মনির্ভৰশীল হ'বলৈ শিকা, তেতিয়াহে সাংসাৰিক প্ৰকৃততে ভাল পাব পাৰিবা।

— স্বামী বিবেকানন্দ।

৭. পৰিৱৰ্তনশীল জগতত পৰিৱৰ্তনেই সত্য।

— ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা।

৮. পৰস্পৰে পৰস্পৰক সহায় কৰিব পাৰিলেহে মনত অপাৰ আনন্দ পোৱা যায়।

— মহাবীৰ।

৯. সাহিত্য মানৱ সমাজৰ প্ৰাণকেন্দ্ৰ আৰু জ্ঞানৰ মনমন্দিৰ।

— ৰঘুনাথ চৌধাৰী।

(সাংগ্ৰহন)

— প্ৰিয়া কোঁৱৰ
পঞ্চম ষাণ্মাসিক।

Scanned with OKEN Scanner

# কৌতুক



১ ৰোগী : ডাক্তৰ চাৰ আপুনি প্ৰেচক্ৰিপচনৰ একেবাৰে ওপৰত লিখা দৰবটো ক'তো বিচাৰিয়ে পোৱা নাই ?

ডাক্তৰ : চাওঁ কাগজখন

ৰোগী : এইখন চাওক

ডাক্তৰ : অ' এইটো দৰব লিখা নাছিলোঁ নহয়, কলমটোৱে ধৰেনে নধৰে ধৰাইহে চাইছিলোঁ ।

2. শিক্ষক : ক চোন নগেন ভাৰতত আৱিষ্কাৰ হোৱা আটাইতকৈ পুৰণি যন্ত্ৰটোৰ নাম কি ?

নগেন : চাৰ ভাৰতত আৱিষ্কাৰ হোৱা আটাইতকৈ পুৰণি যন্ত্ৰটোৱে হ'ল ষড়যন্ত্ৰ । কিয় মহাভাৰত যুদ্ধতকৈ পুৰণি আৰু কোনো মেৰামতি নকৰাকৈ আজি দিনলৈকে সক্ৰিয় হৈ আছে চাৰ ।

# JOKES

# SMILE

৩. শিক্ষকে নগেনক সুধিলে ....


শিক্ষক : নগেন জানাচোন আমাৰ ভাষাটো যে মাতৃভাষা হ'ল পিতৃভাষা কিয় নহ'লে ... ?

নগেন : ছাৰ, আমাৰ ভাষাটো মাতৃভাষা এই কাৰণে হ'লে যে ...

আমাৰ দেশৰ মাতৃসকলে ইমান কথা কয় যে পিতৃসকলে ক'বলৈ সুবিধায়ে নাপায়।

৪. ককা : ঐ গৰু, তোৰ স্কুলৰ মাষ্টৰ আহিছে, যা ক'ৰবাত গৈ লুকাই থাক।

নাতি : আগতে তুমি পলোৱা ইয়াৰ পৰা, ছাৰে দেখিলে অশুভ কথা হ'ব, তুমি মৰিল বুলি দুই সপ্তাহ ছুটি লৈ থোৱা আছে।



— ৰিমলী দিহিঙীয়া

প্ৰথম ষাণ্মাসিক।

# সাঁথৰ



১. ধান কটাৰ পিছত পথাৰ জুৰি বহে, এখনো কোন মুনি তপস্যা নকৰে ?

উঃ মানিমুনি ।

২. আমন জিমনকৈ বহি থাকে, ঠেলডেক দিলে খতি কৰে ?

উঃ দমকল ।

৩. বাৰী চুকৰ ৰঙা চৰাই, উত্তৰ দিলে খুজালে চায় ?


উঃ জলকীয়া ।

৪. জীৱও নহয় জন্তুও নহয়, ঘৰত কৰে বাস তেলহে খায় জীয়াই থাকে অন্ধকাৰ কৰে নাশ ?

উঃ চাকি

৫. এশজনী গোপিনীৰ এফালেহে পিঠা, গাইজনী গাভিনী গাখীৰ দিয়ে মিঠা ?

উঃ মৌজোলে ।



— প্ৰিয়া কোঁৱৰ

পঞ্চম ষাণ্মাসিক।




Scanned with OKEN Scanner